


# —তালায় পাৰ—

## ( Wild flower )

প্ৰথম বছৰ :: দ্বিতীয় সংখ্যা

গাৰোপাহাৰৰ কৃষ্টি— সংস্কৃতি আৰু সমন্বয়ৰ
একমাত্ৰ তিনিমহীয়া আলোচনী

১৯৮৮

সম্পাদক — নিৰ্মল কোচ।

প্ৰচ্ছদ পট : ইন্দ্ৰ কোচ।

মূল্য— ৫·০০ টকা।

OKDISCD

তালায় পাৰৰ যোগাযোগৰ ঠিকানা ঃ—

**Shri Nirmal Koch**
Editor,
'TALAY PAAR'
C/o. D. A. O. TURA.
West Garo Hills.

---

অহা সংখ্যাৰ আকৰ্ষণ ঃ—

'তালায় পাৰ'ৰ নিয়মীয়া শিতান, ধাৰাবাহিক প্ৰবন্ধৰ লগতে বহুতো ন, পুৰণি লিখকৰ লিখনি অহা সংখ্যা তালায় পাৰত প্ৰকাশ পাব। 'তালায় পাৰ' পঢ়ক আৰু গ্ৰাহক হওঁক। বছৰেকীয়া বৰঙনি ২০.০০ টকা। গাৰোপাহাৰত সাহিত্যৰ পৰিবেশ গঢ়ি তোলাত 'তালায় পাৰ'ক সহায় কৰক।

— সম্পাদক।

## —ঃ সূচীপাত ঃ—

| | | | পৃষ্ঠা |
|---|---|---|---|
| ১। | সম্পাদকীয়— | | ৫ |
| | **কবিতা** | | |
| ২। | অৰণ্যত প্ৰতিবাদ— | আকাশনীল সিন্‌হা। | ৬ |
| ৩। | ৰক্তিম সূৰ্য্য — | চক্ৰধৰ বড়ো। | ৮ |
| ৪। | তোমালৈ মনত পৰে— | নগেন্দ্ৰ বৈশ্য। | ৯ |
| ৫। | গাৰো পাহাৰ— | উৰ্মিলা কোচ। | ১১ |
| ৬। | এটি গীত— | খোকাৰাম কোচ। | ১১ |
| ৭। | পৰিবৰ্ত্তন— | ভূমিধৰ দেৱ শৰ্মা। | ১৩ |
| | **প্ৰবন্ধ** | | |
| ৮। | কোচ-ৰাজবংশী জাতিৰ অতীত আৰু ঐতিহ্যত এভুমুকি— | শিবেন্দ্ৰ নাৰায়ণ কোচ। | ১৪ |
| ৯। | এটি ৰাভা ইতিবৃত্ত আৰু ইতিহাস— | শিবানন্দ শৰ্মা। | ১৯ |
| ১০। | কৰাইবাৰী ৰাজ্যৰ ইতিকথা— | খলিন কোচ। | ২৭ |
| ১১। | জীৱন বৃক্ষিত পানীৰ পবিত্ৰতা আৰু সংস্কৃতিৰ ধাৰা— | ইন্দ্ৰ কোচ। | ৩৫ |
| | **জীৱনী** | | |
| ১২। | বাল্য সন্ন্যাসী হৰিদাস— | মূল ৰচনা ঃ মৎ ৰাধাকান্ত ব্ৰহ্মচাৰী। অনুবাদক ঃ খলিন কোচ। | ৪০ |
| | **সুকীয়া দোৱান** | | |
| | ॥ কোচ ॥ | | |
| ১৩। | পাৰ বুজুম— | অবনাথ কোচ। | |
| ১৪। | চায়— | পল্টন কোচ। | ৪৮ |
| ১৫। | আং নালা পেলেম মানা— | উৰ্মিলা হুচা কোচ। | ৪৮ |
| ১৬। | পিদান লাম— | হৰিন কোচ। | ৪৯ |
| ১৭। | কচ'চায়— | ভুজেন কোচ। | ৫০ |
| | ॥ হাজং ॥ | | |
| ১৮। | কথা হ'বৌন তোলা লগন— | কানুৰাম হাজং। | ৫১ |
| ১৯। | সাৰ্থক— | স্বৰ্ণব হাজং। | ৫৩ |
| | **গল্প** | | |
| ২০। | জলাঞ্জলি— | জগদীশ পাটগিৰী। | ৫৫ |

OKDISCD

With best compliments from :-

**M/s. Kama News Stand**

**Near D. C's Park, TURA**

**WEST GARO HILLS, Meghalaya.**

For All Kinds of Books, Magazine and New Papers.

**Prop :- Shri S. N. Koch, Advocate, Tura.**

M. Das.
A.D.C. Dhubri.

From Khalin Koch H/P
1712, Manjuri Model L.P. School. 25/10/88

# সম্পাদকীয় ঃ

গাৰোপাহাৰত 'সাহিত্য' বুলি কলেই অভিজ্ঞতাৰ মুখা-মুখি হোৱা প্ৰতি-জন সাহিত্যানুৰাগীয়ে এক মুখে স্বীকাৰ কৰিব লাগিব ইয়াৰ একমাত্ৰ সাহিত্য চৰ্চ্চাৰ অনুকুল বাতাবৰণৰ অভাৱ। তাৰোপৰি অসমীয়া ভাষা চৰ্চ্চা সংখ্যা লঘু কোচ, হাজং, ৰাভা আৰু বড়ো-কছাৰী সকলৰ মাজতেই সীমাবদ্ধ। এনেস্থলত অসমীয়া আলোচনী এখন জীয়াই ৰখা বা নিয়মীয়াকৈ উলিওৱা সমস্যাখিনি সহজেই অনুমেয়।

—মনত পৰে, এসময়ত এইখন গাৰোপাহাৰতে পোহৰ, মেঘালী, নক্ৰেক, ৰাছান ইত্যাদি অসমীয়া আলোচনী কেইজনমান অখ্যাত সাহিত্য প্ৰেমীৰ তাগিদাত আত্মপ্ৰকাশ কৰিছিল। দুই-এটা সংখ্যা প্ৰকাশ পোৱাৰ পাছতেই সেই সুন্দৰ, মনোমোহা আলোচনীবোৰ সময়ৰ ৰুক্ষ হাত বুলনিত অকালতে জহি গ'ল। সেই আলোচনীবোৰৰ হেৰোৱাৰ আঁত বিচাৰি চালে স্পষ্ট হৈ পৰে কিছু কথা, তাৰ ভিতৰত প্ৰথমতেই আহি পৰে ইয়াৰ অসুস্থ পৰিবেশ। আনকি পঢ়ুৱৈৰ সংখ্যাও তেনেই সন্তোষজনক নহয়। ইয়াৰ বাবে যুব মানসিকতাক দোষী সাব্যস্ত কৰাৰ যথেষ্ট থল থকা দেখা যায়।

আজিৰ যুব সমাজৰ গতিবিধিলৈ লক্ষ্য কৰিলে দেখা যায়, সিহঁতে যুগ-বন্যাৰ উত্তাল স্ৰোতত ভাসমান। যাৰ কোনো গন্তব্যস্থল নাই, জাঁজি হৈ দুৰ্বাৰ সোঁতত উটি ফুৰাতে সিহঁতৰ আনন্দ, সিহঁতৰ কাম্য তাৰোপৰি 'হম চব জান্তা' মনোভাৱ, লঘু-সাহিত্যৰ প্ৰতি অনুৰাগ, মদাসক্তি ইত্যাদি আজিৰ যুব মানসত যেন এটা 'Life Style' হৈ পৰিছে। সমাজৰ এই দুৰ্ব্বলতা-বোৰ ভয়াবহ সংক্ৰামক ৰোগৰ বীজাণুৰ দৰে ইতিমধ্যে বহুদূৰ শিপাইছেগৈ— যাৰ ফলত এখন ধ্বংসমুখী সমাজৰ ছবি পুৰাৰ সূৰ্য্যটোৰ দৰে স্পষ্টৰ পৰা ক্ৰমে স্পষ্টতৰ হৈ পৰিছে। আপুনি যদি প্ৰত্যক্ষদৰ্শী, বজাৰে-সমাৰে, ৰাস্তাই-ঘাটে গুৰু-শিষ্য পৰম্পৰে ব্যৱধান এৰি 'সোমৰস' (সংস্কৃতত) পান কৰা দৃশ্যৰ সোৱাদ পাইকাৰী হাৰত যি কোনো মুহূৰ্ত্ততে উপভোগ কৰাৰ সৌভাগ্য ঘটিব পাৰে। এয়াই আজিৰ বাস্তৱ। ………. ………

OKDISCD

তথাপি সময়ৰ গতিয়ে এই যুব মানসত এদিন নহয় এদিন নিশ্চয় পৰিবৰ্ত্তন আনিব। আমাৰ সৰ্ব্বদিশতে পিছ পৰি থকা সমাজৰ মজিয়াত নকৈ হেজাৰ হেজাৰ বন্তি প্ৰজ্বলিত হৈ উঠিব। সেই দিনলৈ আৰু কিমান বাকী? গাৰোপাহাৰৰ গুহা-গহ্বৰ, আকাশ-বতাহ কঁপাই তোলা অনন্ত প্ৰতীক্ষাৰ সেই সমস্বৰ, সেই প্ৰতিধ্বনি,—"আমি কোন? আমি ক'ত? আমাৰ অনাগত ভৱিষ্যত কি?" এনেহেন জাউৰিয়ে জাউৰিয়ে সীমাহীন প্ৰশ্নৰ ভিৰত সাৰ পাই উঠা হে যুব মানস, তোমাক স্বাগতম!

শৰততে ফুলা এপাহি 'তালায় পাৰ' শাৰদীয় শুভেচ্ছাৰ লগতে যাচিলোঁ।

ভৱদীয়—
নিৰ্মল কোচ
সম্পাদক,
তালায় পাৰ

তুৰা/
১৪-৮-৮৮ ইং

কবিতা

## অৰণ্যত প্ৰতিবাদ

● আকাশ নীল সিং.হা

এয়া জানো
'তালায় পাৰ' ফুলাৰ বতৰ?
প্ৰসৱ যন্ত্ৰনাত
কক্‌বকাই
মোৰে হিয়াৰে
এই মাটি উৰ্বৰা
গাৰোপাহাৰৰে
বনৰ পৰা বনান্তৰে
তালায় পাৰ ফুলে।
এয়া জানো নহয়
তালায় পাৰ ফুলাৰ বতৰ?
কোৱা দীপমালা,
তোমাৰ মনৰ বনত
আজি কি ফুল ফুলে
নহয়নে তালায় পাৰ (!)
যোৱাবেলি,
দিগন্ত চুই যোৱা
তালায় পাৰৰ জুই
ভাদ লগনত বওাই তোলা
এমুঠি আকাশ



OKDISCD

কৰুণ নিৰ্বাক। তোমাৰ মনত
আছে জানো?
সেয়েহে আজিও
অৰণ্যত দুৰ্মদ প্ৰতিবাদ,
তালায় পাৰৰ জুই
আৰু নজ্বলাবা।

---

## ৰক্তিম সূৰ্য্য

চক্ৰধৰ বড়ো

ৰক্তিম মোৰ সূৰ্য্য
কাৰাৰুদ্ধ আজি
তাৰ দোষ,
সি নিজৰ সত্বা বিচাৰিছিল।
যেতিয়াই মুখ মেলে
তেতিয়াই জগৰ লাগে
জিভাতোৰ অসভ্যৰ হাতৰ মুঠিত।
সভ্যতাৰ মুখা পিন্ধি
অসভ্যৰ আদালতে
বিচাৰ কৰে,
তাৰ দোষ—
সি নিজৰ সত্বা বিচাৰিছিল।
নিৰ্মাণ কৰিছে সিহঁতে



লৌহ কাৰাগাৰ অথবা ফাঁচি কাঠ
আৰু তাৰ বাবে আদালত,
নেজানে সিহঁতে—
তাৰ মনৰ অগ্নি স্ফুলিঙ্গে
গলাব পাৰে, লৌহ কাৰাগাৰ;
সিদিনাৰ হা-হুমুনিয়াহ,
সেউজ পথাৰৰ
মোৰ আইৰ চকুলো
দেউতাৰ কপালৰ ঘাম
মোৰ দেশৰ বন্ধুৱাৰ হৃদয়ৰ কান্দোনত
খেতিয়কৰ নাঙলৰ সীৰলুত
শুই আছে যুগৰ অতিশয্যাত
ৰক্তিম সেই সূৰ্য্য
মৃত্যুয়ে তাৰ অপমৃত্যু।

---

## তোমালৈ মনত পৰে

শ্ৰীনগেন্দ্ৰ বৈশ্য

(১)

চেনেহী ঐ, মোৰ তোমালৈ মনত পৰে।
তোমালৈ মোৰ মৰম কিমান
তুমিতো বুজা হায়?
তথাপি তোমাক বুজাব নোৱাৰোঁ।



OKDISCD

মৰমী ভাষাৰে মোৰ,
ভাবনাৰ বহুদূৰ
গুচি যায় দিনবোৰ।

(২)

কামনাৰে ভাষা মৰমী হিয়াৰে
গোপন কথাটি মোৰ
কোৱা নোকোৱাৰ মাজতে তোমাক
গুচি যায় দিনবোৰ।

(৩)

মাজনিশা তোমাৰ মনৰ সপোন এটি
দুই চকুলো টুকি টুকি হায়
ৰাতিও নুপুৱায়
দুই চকুলো বৈ যায়।

(৪)

চেনেহী এ, মোৰ তোমালৈ মনত পৰে।
মোৰ জীৱনৰ বালিৰ বলুকাত
তোমাকে বিচাৰি বিচাৰি
ভাবনাৰ বহুদূৰ
গুচি যায় দিনবোৰ।

——



# গাৰো পাহাৰ

ঊর্মিলা কোচ

প্ৰাকৃতিক সৌন্দৰ্য্যৰ লীলাভূমি,
চিৰ সেউজীয়া, এই গাৰোপাহাৰ।
নীল আকাশৰ তলত
ধূসৰ শাল বননিৰ ছাঁ,
ধূসৰতৰ ইয়াৰ ঘন গহন বন।
অজস্ৰ পাহাৰী নিজৰা
কুলু কুলু ৰবে বৈছে বাগৰি
কত যুগ যুগ ধৰি।
সৰু সুৰা নদীৰ কাষে ফাঁকে
সৰু বৰ পাহাৰৰ চুকে কোণে
আদিবাসী সকলৰ গাওঁ।
উত্তৰাঞ্চলত ৰাভা, পূব দিশত গাৰো,
দক্ষিণ জোৰাবত হাজং,
পশ্চিম প্ৰান্তত কোঁচ,
ইয়াৰ মাজে মাজে
বড়ো-ডালু-মান সকলৰ আদি বসতি।
আৰু, সীমান্তৰ নামনি ভাগত মুচলমান গাওঁ।
বহু অতীতৰ বহু কথা, কত ইতিহাস
নিলিখাকৈ লুপ্তহৈ আছে
এই গাৰোপাহাৰৰ বুকুত।

——



OKDISCD

# এটি গীত

খোকা ৰাম কোচ

অ'ৰাংঢালি কুচুনী      গাৰোপাহাৰৰে কুচুনী
ৰাক ভুলোৱা তুমি আজি
বান্ধি ধেকেনা খোপাৰ ৰূপেৰে
ৰূপহী কুচুনী ৰূপে নধৰে।
খোপাত শোভে বন ফুল      কৃষ্ণচূড়া নে পলাশ ফুল?
তোমাৰ খোপাতে প্ৰেম পখিলা
উৰি আহি পৰে,
শিৱ গোঁসাই কুচুনীৰ ৰূপতে মৰে॥
চঞ্চল চৰণত তোমাৰ      ফুটি উঠে ছন্দ
কল্পনাৰ ছবি বন চাৰিণী,
চেঁপা ককালত শোভে কেনে
ৰঙা ৰঙা ফুলাম পাটানি॥
যৌৱন জুৰি তোমাৰ      পাৰ ভঙা ঢৌ
লাৱণী স্তন দুটি      ৰস ভৰা মৌ
বসন্ত ব্যাকুলহৈ গুমৰি মৰে
ৰিক্ত হিয়াত এধানি মৰম বিচাৰে॥
তোমাৰ নয়ন যুৰি      মোহিনী মায়া
নিমজ ওঁঠৰ হাঁহি      মন মোহনীয়া
হীৰা-জীৰাৰ কথা মনত পৰে
লাজুকী চেনাই আজি কিয়ে বিচাৰে।

—



# পৰিৱৰ্ত্তন

ভুমিধৰ দেৱশৰ্ম্মা

তুই ম'হৰ যুঁজত
বিৰিণাৰ মৰণ,
জীৱন পথাৰত
মোৰ বুকুৰ উপনিৱেশ;
ক্ষমতাৰ অৰিয়া-অৰি
অস্ত্ৰধ জন জননি
সদায় শুনোঁ, ভয় পাওঁ
বুকুৰ মাজত হাহাকাৰ
আমি কপৌ হৈ
উৰিব বিচাৰোঁ
প্ৰতিটোপাল তেজ
কপৌ হৈ উৰিব বিচাৰে।

—





OKDISCD

ধাৰাবাহিক ঃ

# কোচ-ৰাজবংশী জাতিৰ অতীত আৰু ঐতিহ্যত এভূমুকি ।

*শিৱেন্দ্ৰ নাৰায়ণ কোচ*

(১) <u>কোচ- ৰাজবংশী মানে কি আৰু কাক বুজায়</u> ঃ—কোচ আৰু ৰাজবংশী এই দুটা শব্দ লগ লাগি " কোচ-ৰাজবংশী " জাতি ৰাচক বিশেষ্য পদৰ সৃষ্টি হৈছে। কোৱা বাহুল্য যে কোচ এটা জাতি বা জনগোষ্ঠীৰ নাম। তদ্ৰূপ ৰাজবংশী শব্দটোৱে এচাম মানুহ বা জনগোটক বুজায়। কোচ শব্দ কৰ পৰা কেনেকৈ গঠিত হৈছিল কোৱা টান। এই শব্দৰ মূল উৎস আৰু আঁতি গুৰি এতিয়াও সঠিক ভাৱে কব পৰা হোৱা নাই যদিও এই অধ্যয়নৰ ৫ম পৰিচ্ছেদত কোচ শব্দৰ মূল উৎস আৰু আঁতি গুৰি বিচাৰি উলিয়াবলৈ যত্ন কৰা হৈছে।

ৰাজন্ শব্দৰ লগত বংশ শব্দ লগলাগি ( ৰজাৰ বংশধৰ সকলক বুজাবলৈ ) ৰাজবংশী শব্দৰ সৃষ্টি হৈছে। অৰ্থাৎ যি সকলে ৰজাৰ বংশধৰ তেওঁলোকেই ৰাজবংশী। এই বিশ্লেষণৰ পৰা দেখা যায়, সেই সকলেই কোচ-ৰাজবংশী—যিবিলাক কোচ ৰজাৰ বংশধৰ। প্ৰশ্ন হ'ল, ৰাজবংশী বা কোচ-ৰাজবংশী নামেৰে পৰিচিত লোক সকল কোন ৰজাৰ বংশধৰ ? বহুতে কয় বা কব খোজে যে শেষ কোচ ৰাজবংশ বিশ্বসিংহ, নৰনাৰায়ণৰ বংশধৰ সকলেই ৰাজবংশী বা কোচ-ৰাজবংশী। ৰাজবংশী শব্দৰ অতীত আৰু ঐতিহ্যলৈ চাই এই দাবীৰ সত্যতা থকা যেন পাওঁ। নৰনাৰায়ণ-বিশ্বসিংহৰ আগত ৰাজবংশী শব্দ থকাৰ কথা গম পোৱা নেযায়। গতিকে ৰাজবংশী বা কোচ-ৰাজবংশী শব্দ বা জাতিবাচক বিশেষ্য পদৰ সৃষ্টি বিশ্বসিংহ, নৰনাৰায়ণৰ সময় বা তাৰ পিছতহে সৃষ্টি হোৱা বুলি অনুমান হয়। আমাৰ এই ধাৰণা যদি সঁচা হয় তেনেহলে আমি কব লাগিব কোচ-ৰাজবংশী সকলৰ আদি নাম কোচ বা তেওঁলোক কোচ মানুহ। ৰাজবংশী বা



কোচ-ৰাজবংশী নাম এচাম কোচ মানুহে কোনো কাৰণ বশতঃ আধুনিক কালত লোৱা তেওঁলোকৰ নতুন নাম।

জগৎ পৰিবৰ্ত্তন শীল ! পৰিবৰ্ত্তন শীল মানৱ সমাজ এই পৰিবৰ্ত্তন বহুত ধৰণে সমাজলৈ আহে। কোনো সমাজ বা জাতিৰ নামৰ পৰিবৰ্ত্তন মানৱ সমাজৰ বহুবিধ পৰিবৰ্ত্তনৰ ভিতৰত এটি। কোচ সমাজ জীৱনলৈয়ো প্ৰাক্ ঋগ-বৈদিক যুগৰ পৰা বিংশ শতিকালৈ কৰি অহা তেওঁলোকৰ সুদীৰ্ঘ যাত্ৰাত বহুতো পৰিবৰ্ত্তন নিশ্চয় আহিছিল বা হৈছিল। তেওঁলোকৰ নাম কোচৰ ঠাইত ৰাজবংশী, ৰাজবংশীৰ পৰা কোচ-ৰাজবংশী হোৱাও তেনে পৰিবৰ্ত্তনৰে এটা বুলি ধাৰণা হয়। সঁচা কথা কবলৈ গ'লে কোচ মানুহৰ নাম কেৱল কোচৰ পৰা ৰাজবংশীয়ে হোৱা নাই। কোচ জাতিৰ অতীত, ঐতিহ্য আৰু তেওঁলোকৰ সামাজিক, ৰাজনৈতিক আৰু নৃতাত্বিক ইতিহাস পৰ্য্যালোচনা কৰিলে দেখা যায়, কোচ মানুহ বিলাকৰ মানৱ ইতিহাসৰ বিভিন্ন সময়ত বিভিন্ন ঠাইত বিভিন্ন নামেৰে পৰিচিত হোৱা। যেনে,—কুৱাচ, কম্বোজ, পানী কোচ, কোচ-মান্দাই, ধেয়ান, নাস্থ, গোৱামী, দেশী বা দাৱী, কামথালি কোচ, মদাহী, খেন বা খ্যান ৰাজবংশী ইত্যাদি ইত্যাদি। বিস্তাৰিত ভাৱে জনাৰ কাৰণে লেখকৰ প্ৰবন্ধ " কোচৰ বিভিন্ন নাম বিভিন্ন পৰিচয় " ( ৰাছান, দ্বিভাষিক মাহেকীয়া আলোচনী, ফেব্ৰুৱাৰী সংখ্যা, ১৯৮৪ পৃঃ ১ বা এই ধাৰাবাহিকৰ ১ নং পৰিশিষ্ট দ্ৰষ্টব্য )। আধুনিক কালত অৰ্থাৎ বিংশ শতিকাৰ পঞ্চাশৰ দশকৰ পৰা পশ্চিম অসম অৰ্থাৎ পুৰণি গোৱালপাৰা জিলাৰ ধুবুৰী আৰু কোকৰাঝাৰ মহকুমাত ( এতিয়া দুয়োখনেই পূৰ্ণাঙ্গ জিলা ) কোচ-ৰাভা নামৰ কোচ মানুহৰ নাম হোৱাও দেখা যায়।

ন্যায় শাস্ত্ৰৰ বিধান মতে এই পৃথিৱীতেই নহয় সমগ্ৰ বিশ্ব ব্ৰহ্মাণ্ডতে হেনো কাৰণ ব্যতিৰেক ধূলিকণা এটিও লৰচৰ নকৰে। কোচ সকলৰ বিভিন্ন সময়ত বিভিন্ন ঠাইত বিভিন্ন নাম পোৱা বা হোৱাৰো নিশ্চয় একো একোটি কাৰণ থাকিব বা আছিল। সেই কাৰণ বিলাক বিংশ শতিকাৰ শেষছোৱাত ৰহি আমি হয়তো উলিয়াবলৈ বা উদ্ধাৰ কৰিবলৈ সক্ষম নহ'ম। তাৰ অৰ্থ এইটো নহয় যে অকাৰণে বা অৰ্থহীন ভাৱে কোচ মানুহৰ নাম কোচৰ ঠাইত ৰাজবংশী



OKDISCD

বা অন্য নাম হৈছে। যিয়ে নহ'ক ওপৰত কৰি অহা আলোচনাৰ পৰা আমাৰ এতিয়া বুজিবলৈ বাকী নাই যে কেৱল ৰাজবংশী বুলি পৰিচিত লোকৰ সৰহ ভাগেই আৰু কোচ-ৰাজবংশী নামৰ সকলো মানুহে দৰাচলতে কোচ মানুহ।

(২) <u>কোচ-ৰাজবংশী সকল সঁচাকৈয়ে ৰজাৰ বংশধৰ নে ?</u> :— কোচ-ৰাজবংশী বা ৰাজবংশী নামেৰে পৰিচিত লোক সকলৰ বৰ্ত্তমান সংখ্যা কিমান সঠিক ভাৱে কোৱা টান কাৰণ আমাৰ লোক পিয়ল বিলাকত বিগত কেৰাটাও দশকৰ লোক পিয়লত জাতি বা বৰ্ণগত জন সংখ্যা দেখুৱা নহয়। সদৌ অসম কোচ-ৰাজবংশী সন্মিলন আৰু সন্মিলনৰ কৰ্ম্মকৰ্ত্তা সকলে একমাত্ৰ অসমতে কোচ-ৰাজবংশী মানুহৰ সংখ্যা ১৮ লাখ বুলি দাবী কৰে ( The hanging issue of the Koch-Rajbonshi Sanmillan, Guwahati, 1986, Ann-1 P. 2 )। কিছুমান কোচ-ৰাজবংশী সকলে ভাৱে যে, অসমত তেওঁলোকৰ জন সংখ্যা ৬০ লাখ বা তাৰ ওপৰত। আন হাতেদি অসম চৰকাৰে তেওঁলোকৰ সংখ্যা মাত্ৰ ১,৫৫,২৯৮ জন বুলিহে কয় ( The hanging issue of the Koch-Rajbanshi, ibid )। আমাৰ মতে এই দুয়োটা সংখ্যাই শুদ্ধ নহয়। অসমৰ কোচ-ৰাজবংশী সংখ্যা উনবিংশ শতিকাৰ চাৰিটা দশকত এই দৰে পোৱা যায় :—

১৮৭২ = ৩,১৩,০০০ জন
১৮৮১ = ৩,৫৬,০০০ ,, বৃঃ ৪৩,০০০ জন
১৮৯১ = ৩,৮৫,০০০ ,, বৃঃ ১৯০০০ ,,
১৯০১ = ৩,৪০,০০০ ,, হ্ৰাঃ ৪৫০০০ ,,

এই পৰিপ্ৰেক্ষিতত আমি যদি ধৰি লওঁ যে, অসমত গড়ে ৫০,০০০ জন কৰি কোচ-ৰাজবংশীৰ জন সংখ্যা প্ৰতি দশকত বৃদ্ধি হোৱা বুলি তেনেহলে বিগত ৮ দশকত মুঠ বৃদ্ধি ৪,০০,০০০ লক্ষ জন হয় আৰু তাৰ লগত আগৰ ৩½ লাখ যোগ কৰিলে ৮০ৰ দশকত কোচ-ৰাজবংশী মানুহৰ সংখ্যা ৮ বা দহ লাখ মান হয়গৈ। ২৮ বা ৬০ লাখ নহয়। আনহাতেদি তেওঁলোকৰ সংখ্যা অসম চৰকাৰে কোৱাৰ দৰে দেড় লাখ বুলি কোৱা কথাও তেনেই অসত্য কাৰণ



১৯০১ চনত যদি অসমৰ কোচ-ৰাজবংশী মানুহৰ সংখ্যা চাৰে তিনি লাখ হৈ থাকে তেন্তে ৭০ৰ দশকত দেড় লাখ বুলি কোৱা কথাটো বিশ্বাস যোগ্য নহয়।

১৯০১ চনৰ লোকপিয়লৰ তথ্য পাতিৰ পৰা দেখা যায় কেৱল ৰাজবংশী আৰু কোচ-ৰাজবংশী হিচাপে দেখুৱা লোকৰ সংখ্যা গোটেই ভাৰতবৰ্ষত তলত দিয়া ধৰণে :—

ৰাজবংশী = ১,২০,০০০ জন
কোচ-ৰাজবংশী বা =
ৰাজবংশী = কোচ = ২১,৬৬৬১১ ,, অৰ্থাৎ
২২,৮৬,৬১১

২৩,০০,০০০ জন। এই দশকত কেৱল কোচ বুলি পৰিচয় দিয়া লোকৰ সংখ্যা মাত্ৰ ২,২৩,০২৬ জন। ১৯০১ চনত কেৱল কোচ বুলি পৰিচয় দিয়া লোকৰ সংখ্যা ২,২৩,০২৬ জন হোৱাৰ ওপৰিও এই দশকৰ লোক পিয়লত নৃতাত্বিক বিভাগৰ দায়িত্বত থকা ডঃ ৰিজলিৰ মতে এই ২,২৩,০২৬ জন কোচ মানুহৰ ভিতৰত ভাৰতবৰ্ষৰ বাহিৰেও ব্ৰাৰ্ম্মা আৰু কাশ্মীৰৰ কোচক সামৰা হৈছে। এই বিলাক যিয়ে নহ'ক আমি যদি এতিয়া ৰাজবংশী শব্দৰ শাব্দিক অৰ্থানুযায়ী অৰ্থ কৰিবলৈ যাওঁ অৰ্থাৎ কোচ ৰজা বিশ্বসিংহ—নৰনাৰায়ণৰ বংশধৰ বা সতি-সন্ততি কোচ-ৰাজবংশী, তেনেহলে যুক্তিৰ বলেৰ পৰা এই নাম অৰ্থহীন হৈ পৰে কাৰণ ৪০০ বছৰত বিশ্বসিংহ-নৰনাৰায়ণৰ সতি-সন্ততিৰ সংখ্যা হলেও নিশ্চয় ২৩ লক্ষ জন হোৱাগৈ নাই। এইটো অসম্ভৱ কথা। যদি নহয় তেন্তে এই ২৩ লক্ষ জন ৰাজবংশী বা কোচ-ৰাজবংশী সকল কোন ?

এই প্ৰশ্নৰ উত্তৰ ইংৰাজ প্ৰশাসক আৰু ঐতিহাসিক Gait চাহাবে কৈছে, " বৰ্ত্তমান কালছোৱাত কোচ এটা দ্ব্যৰ্থ্যাৰ্থক শব্দত পৰিণত হৈছে। অসমত এই শব্দ হিন্দুৰ এটা বৰ্ণ বা জাতিৰ নাম। উত্তৰবঙ্গ আৰু গোৱালপাৰাত এই শব্দই এটা অসন্মান সূচক শব্দত পৰিণত হৈছে আৰু বহুতো কোচে কোচ নাম পৰিহাৰ কৰি সন্মান সূচক ৰাজবংশী নামলৈ আছে। " ( Gait, A History of Assam, 1926 : 46 )। অৰ্থাৎ সহজ কথাত কবলৈ গ'লে ৰজাৰ বংশ-



OKDISCD

ধৰ হকে বা নহকে কোচ সকলে কোচ নাম বৰ্জ্জন কৰি ৰাজবংশী নাম লৈছে।

গ্যেইট চাহাবৰ এই উক্তিৰ যথেষ্ট সত্যতা থকা দেখা যায়। ইয়াৰ প্ৰমাণ লোক পিয়লৰ প্ৰতিবেদন বিলাক। ভাৰত তথা উত্তৰ-পূৰ্ব্ব ভাৰতবৰ্ষত পোন প্ৰথমবাৰৰ কাৰণে লোকপিয়লৰ কাম আৰম্ভ হয় ১৮৭২ চনত। ১৮৭১ চনৰ লোক পিয়ল মতে সমগ্ৰ অসমত ৰাজবংশীৰ সংখ্যা আছিল ২৪০০ জন (Hunter, Statistical Account of Assam, vol. I : 117)। কিন্তু ১৮৭২ জনৰ পিছৰ লোক পিয়ল বিলাকত অসমৰ ৰাজবংশীৰ সংখ্যা আশাতীত ভাৱে বৃদ্ধি পোৱা দেখা যায়। যেনে,—

১৮৮১ চনত = ১,০৬,০০০ জন

১৮৯১ ,, = ১,২৪,০০০ ,,

১৯০১ ,, = ১,২০,০০০ ,,

১৯১১ ,, = ১,৩৩,০০০ ,,

আনহাতেদি ওপৰুক্ত দশক বিলাকত কোচৰ সংখ্যা বৃদ্ধি নহৈ কমিহে গৈছে। যেনে :—

১৮৭২ চনত = ৩,১৩,০০০ জন

১৮৮১ ,, = ২,৫০,০০০ ,, ( ৬৩ হেজাৰ জন হ্ৰাস )

১৮৯১ ,, = ২,৬১,০০০ ,, ( ৫২ ,, ,, ,, )

১৯০১ ,, = ২,২৩,০০০ ,, ( ৯০ ,, ,, ,, )

১৯১১ ,, = ২,৪১,০০০ ,, ( ৭১ ,, ,, ,, )

ওপৰত দেখুৱা কোচ আৰু ৰাজবংশীৰ তুলনা মূলক সংখ্যাৰ পৰা দেখা যায়, ১৮৮১ চনত ৰাজবংশীৰ সংখ্যা ১৮৭২ চনত পোৱা ২৪০০ জনৰ ঠাইত হয়-গৈ ২,৫০,০০০ জন বা ৬৩০০০ কম। এই দৰেই ১৮৯১ চনত ১৮৮১ চনৰ কোচৰ সংখ্যাতকৈ ১১ হেজাৰ বৃদ্ধি হলেও ১৮৭২ চনৰ কোচৰ সংখ্যাতকৈ ৫২ হেজাৰ কম হয়। কিন্তু এই দশকত ৰাজবংশীৰ সংখ্যা ১৮৮১ চনতকৈ ১৮০০০ হেজাৰ বেছি আৰু ১৮৭২ চনৰ মুঠ ৰাজবংশীৰ সংখ্যা ২৪০০ জনতকৈ ১,২১,-৬০০ জন বেছি। ১৯০০ চনত ৰাজবংশীৰ সংখ্যা ৪০০০ জন কম দেখা যায়



আৰ্য্য সকলে যদি অন্যান্ন অনাৰ্য্য ভাষীসকলক পায়েই থাকে তেন্তে কোচ কহে কুবাচ আখ্যাৰে আখ্যায়িত কৰিলে কিয় ? এইটো কি সূচায় ? ইমান বিলাক বাৰে বৰণীয়া অনাৰ্য্য ভাষাত কথা কোৱা মানুহ ভাৰতবৰ্ষত থকা সত্বেও কেৱল কোচকহে কুবাচ বা কুভাষী বুলি কোৱাৰ উদ্দেশ্য নিশ্চয় আছিল আৰু আছে। আৰু সেইটো হ'ল কোচক হেয় কৰাৰ উদ্দেশ্যত অৰ্থাৎ ইচ্ছাকৃত ভাৱে কোচ নিকৃষ্ট বা বেয়া এই কথা বুজাবলৈ। কিন্তু আৰ্য্য সকলে কোচক কেৱল "কুবাচ" বা কুভাষী অপবাদ দিয়েই ক্ষান্ত আছিলনে ? নাছিল। তেওঁ-লোকে কোচক কুভাষী বুলি কোৱাৰ উপৰিও আৰু বহুত কিছু কৈছে যি কথাবিলাক আন জাতি বা মানুহৰ প্ৰতি কৰা সততে দেখা নেযায়।

আৰ্য্য সকলৰ শাস্ত্ৰ গ্ৰন্থাদি অধ্যয়ন কৰিলে দেখা যায় গোমাংস আৰ্য্য সকলৰ প্ৰিয় খাদ্য হোৱাৰ উপৰিও সেইটো এটা আভিজাত্যৰ ছাপ থকা আহাৰ্য্য। ঘৰত অতি সন্মানীয় ব্যক্তি যেনে মুণি, ঋষি বা পূজনীয় ব্যক্তি আহিলে আৰ্য্য সকলে গোমাংসৰ ব্যঞ্জনেৰে আপ্যায়িত কৰাৰ উদাহৰণ পোৱা যায়। গৰুৰ মঙহ খালে গো-হত্যা কৰিবই লাগিব। কিন্তু পদ্ম পুৰাণত দেখা যায় আৰ্য্য শাস্ত্ৰকাৰ বা পুৰাণকাৰ সকলে কোচকহে গো-হত্যাকাৰী বুলি গালি গালাজ কৰিছে। যেনে :—

সৰ্ব্বভক্ষ ৰাতমুধা ম্লেচ্ছ গো ব্ৰাহ্মন ঘাটক,
কুবাচকে পৰে ম্লেচ্ছ এতকুত যোনয় :
তেষাম পিষাচী ভাষা লোকচাৰ ন বিদ্যতে॥

( পঃ পুঃ ৫৭ নং খণ্ড )

— অৰ্থাৎ যি বৰ্ব্বৰ ম্লেচ্ছ সকল সকলো খায় তেওঁলোক হেবাং আৰু তঁকৰা গো-ব্ৰাহ্মণ বধকাৰী। এই বৰ্ব্বৰ সকল কুবাচ ম্লেচ্ছ যাৰ বাসস্থান পৰ্ব্বতত। তেওঁলোকৰ ভাষা পিশাচী আৰু তেওঁলোকৰ কোনো সামাজিক বিধি ব্যৱস্থা নাই।

ব্ৰহ্মবৈবৰ্ত্ত পুৰাণত ভাৰতৰ কিছুমান শঙ্কৰ জাতিৰ উল্লেখ কৰিছে। সেই শঙ্কৰ জাতি বিলাকৰ ভিতৰত কোচৰো নাম আছে। এইখন পুৰাণত ( ব্ৰহ্ম



OKDISCD

যদিও ১৯১১ চনত এই সংখ্যা হয়গৈ ১,৩৩,০০০ জন অর্থাৎ ১৯০১ চনৰ সংখ্যাতকৈ ১৩০০০ বেছি আৰু ১৮৭২ চনৰ সংখ্যাতকৈ ১,৩০,৬০০ জন বেছি। ওপৰত দেখুৱা হাৰত ৰাজবংশীৰ সংখ্যা বৃদ্ধি আৰু কোচৰ সংখ্যা কম হোৱাৰ বাবে আমি এই সিদ্ধান্তত আহিবলৈ বাধ্য হওঁ যে কোচ ৰজাৰ সন্তান হওকে বা নহওকে গেইট চাহাবে কোৱাৰ দৰে কোচ সকলে কোচ নাম বৰ্জ্জন কৰি দলে দলে ব্ৰাহ্মণ্য হিন্দু ধৰ্ম্ম গ্ৰহণ কৰিছে আৰু সন্মানসূচক ৰাজবংশী নাম লৈছে। গতিকে ৰাজবংশী হলেই ৰজাৰ বংশধৰ বা সতি-সন্ততি নিশ্চয় নহয়, সাধাৰণ মানুহ আৰু প্ৰজাসকলেও ৰাজবংশী হৈছে। গতিকে ৰাজবংশী শব্দই ৰজাৰ বংশধৰ বুজালেও ইয়াৰ ওলোটা অৰ্থতহে ৰাজবংশী শব্দ গৃহীত হৈছে। অৰ্থাৎ যি জাতিৰ ৰজা আছে তেওঁৱেই ৰাজবংশী এই অৰ্থতহে।

(৩) কোচ কিয় কোচ নাম বৰ্জ্জন কৰি ৰাজবংশী নাম ললে :— আমাৰ বোধেৰে কোচ সকলে নিজৰ জাতিৰ আদি নাম কোচ বৰ্জ্জন কৰি ৰাজবংশী নাম লব লগা হৈছিল কেবাটাও কাৰণত। তাৰে এটা কাৰণ হ'ল ওপৰত কৈ অহাৰ দৰে সমাজৰ গতিশীলতাৰ ফলত জন জীৱনত অহা স্বাভাৱিক পৰিৱৰ্ত্তনৰ ফল স্বৰূপে আৰু আনটো হ'ল কোচ নামৰ লগত জড়িত হীনতা বা নীচতাৰ কথা আৰ্য্য পণ্ডিত, শাস্ত্ৰকাৰ আৰু ধৰ্ম্মযাজক সকলে কৰা ধাৰাবাহিক অপপ্ৰচাৰ। কোচৰ অতীত আৰু বৰ্ত্তমানৰ সামাজিক ইতিহাস পৰ্য্যালোচনা কৰিলে দেখা যায় কোচৰ প্ৰতি কৰা বিৰূপ মন্তব্য, অপবাদ বা অপপ্ৰচাৰ নতুন কথা নহয়। এই অপপ্ৰচাৰৰ প্ৰমাণ আমি পাওঁ আৰ্য্য সভ্যতাৰ আদিম পুৰাৰ পৰা বিংশ শতিকালৈকে। যেনে আৰ্য্য সকলে কোচক তেওঁলোকৰ ভাষা সংস্কৃতত কৈছিল কুৱাচ। সংস্কৃত ভাষাত কু মানে বেয়া বা নিকৃষ্ট আৰু বচ বা বাচ মানে ভাষা, মাত বা কথা। গতিকে কুবাচ শব্দৰ অৰ্থ হ'ল বেয়া বা নিকৃষ্ট ভাষী। নুবুজা ভাষা সদায়েই শ্ৰুতি কটু বা অশ্ৰাব্য। কোচ সকলৰ অনাৰ্য্য কোচ ভাষাও আৰ্য্যৰ শ্ৰুতি মধুৰ নোহোৱাটো স্বাভাৱিক। কিন্তু সু-বিশাল ভাৰতবৰ্ষত আৰ্য্য সকলে শ্ৰুতিকটু, অবুজ অনাৰ্য্য ভাষাত কথা কোৱা মানুহ কেৱল কোচকহে পাইছিলনে? এইটো এটা অবিশ্বাস্য কথা। কিন্তু



বৈৱৰ্ত্ত পুৰাণ এটা উপপুৰাণ ) কোচৰ জন্ম বা সৃষ্টি দেখুৱাইছে হিন্দুৰ নিম্নতম জাতিৰ মানুহ তীৱৰৰ ঔৰসত আৰু মাংসচ্ছেদিৰ গৰ্ভত। এইখন পুৰাণ বা উপপুৰাণ মতে তীৱৰৰ জন্ম ক্ষত্ৰিয় বাপেকৰ দ্বাৰা ৰাউত নাৰীৰ গৰ্ভত। তীৱৰৰ ঔৰসত তৈলকাৰিনীৰ গৰ্ভত লেটৰ জন্ম। লেট আৰু তীৱৰ কন্যাৰ মিলনৰ ফলত চণ্ডালৰ জন্ম। অৰ্থাৎ তায়েক জনীয়েকৰ অবৈধ মিলনৰ ফল হ'ল চণ্ডাল। চণ্ডালিনী আৰু তীৱৰৰ অবৈধ মিলনৰ ফলস্বৰূপ জন্ম হ'ল মাংসচ্ছেদিৰ। এই মাংসচ্ছেদিৰ গৰ্ভত তীৱৰৰ ঔৰসত জন্ম হয় কোচ জাতিৰ।

আৰ্য্য হিন্দু সকলৰ ওপৰুক্ত শাস্ত্ৰপুথিত দেখুৱা কোচৰ জন্ম কাহিনী এটা মুখৰোচক গাজাখৰি কাহিনীৰ বাহিৰে অন্যকিছু মূল্য বহন কৰা দেখা নাযায়। হলেও শাস্ত্ৰপুথি এখনৰ কথা বৈজ্ঞানিক দৃষ্টিকোণৰ পৰা কোনো মূল্য বহন নকৰিলেও জনসাধাৰণক বুজাবলৈ শাস্ত্ৰপুথিৰ ক্ষমতা অপৰিসীম। যিহেতুকে নৃতাত্বিক মতে কোচ সকল মঙ্গলয়েড গতিকে ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণত কোৱাৰ দৰে চণ্ডালিনীৰ জীয়েক মাংসচ্ছেদিৰ সন্তান কোচ সকল নহয় বা হব নোৱাৰে। কিন্তু আৰ্য্য শাস্ত্ৰকাৰৰ উদ্দেশ্য সত্যকথন বা সত্য উদ্ঘাটন নহয়, আৰ্য্যসকলৰ শত্ৰু বা আৰ্য্যৰ ভাষা, সংস্কৃতি, ৰাজ্য আৰু ক্ষমতা বিস্তাৰৰ ক্ষেত্ৰত প্ৰতিবন্ধকতাৰ সৃষ্টিকাৰী কোচক পাৰে মানে হেয়, বেয়া বা জঘন্যতা প্ৰতিপন্ন কৰাহে। গতিকে চণ্ডালিনীৰ জীয়েক মাংসচ্ছেদিৰ গৰ্ভত কোচৰ জন্ম বা সৃষ্টি হোৱা বুলি কোৱা কথাষাৰ সচাকৈয়ে কোচৰ জন্ম তীৱৰ বাপেক আৰু মাংসচ্ছেদি মাকৰ গৰ্ভত জন্মা কাৰণে নহয়। গতিকে ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণত প্ৰদত্ত কোচৰ জন্ম কাহিনী কোচ সকলক সংস্কৃতিত কুৱাচ বুলি কোৱাৰ দৰেই এটা অপপ্ৰচাৰ মাত্ৰ।

কোচক যে আৰ্য্যসকলে দেখিব নোৱাৰিছিল বা হোৱা নোহোৱাই নানা ধৰণৰ অসত্য অপবাদ বা কুৎসা ৰটনা কৰিছিল তাৰ প্ৰমাণ আন বহুতো শাস্ত্ৰ পুথি বিলাকতো থকা দেখা যায়। যেনে, বৈদিক যুগত কোচক কুৱাচ বুলি কোৱাৰ ওপৰিও তেওঁলোকক পনি বা দস্যু নামেৰে অভিহিত কৰা। সংস্কৃতত পনি বা পানি শব্দৰ অৰ্থ কেবাটাও। যেনে পশু, ব্যৱসা, লুভীয়া, দস্যু,



OKDISCD

ভয়াবহ, দানৱ ইত্যাদি। গতিকে আৰ্য্যসকলে কোচক বেয়া অৰ্থতে ষে পানি বা পনি বুলি কৈছিল এই বিষয়েও নিঃসন্দেহ। ব্ৰহ্মানন্দ পুৰাণতো কোচক কামৰূপৰ ৰাক্ষস বুলি কোৱা দেখা যায়। যেনে "ইয়োত পুষ্টৱলী প্ৰনবাস কামৰূপী নাম। উংকোচনাং প্ৰমুদিত ৰাক্ষসনাং মহাপুৰম" অৰ্থাৎ ইয়াত গৰ্ব্বী, ৰাহুৱলী উংকোচ ৰাক্ষস সকলে বাস কৰে। ( Dr. Basu, N. N., Social History of Kamrupa, 1922 (1) : 39 )ৰ পৰা গৃহীত। এই বিলাকতো আৰ্য্যৰ দৃষ্টিত কোচ যে বেয়া সেই কথাই প্ৰতীয়-মান হৈ পৰে। প্ৰতীয়মান হয় আৰ্য্যৰ দৃষ্টিত কোচ কিমান হীন, নীচ আৰু জঘন্য। অত্যন্ত দুৰ্ভাগ্যৰ কথা হ'ল কোচৰ বিৰূদ্ধে এই ধৰণৰ মিছা অপ-প্ৰচাৰ বিংশ শতিকাতো নোহোৱা নহয়।

বিংশ শতিকাত দেশী আৰু বিদেশী কিছুমান বিখ্যাত আৰু অখ্যাত পণ্ডিত সমাজন কোচৰ বিৰুদ্ধে সস্তীয়া অপপ্ৰচাৰ কৰা বা তেনে অপপ্ৰচাৰত লিপ্ত হোৱা দেখা যায়। যেনে,—অসমৰ এজন উজ্জ্বলতম ঐতিহাসিক তাৰকা ৰায় বাহাদুৰ কনকলাল বৰুৱা দেৱে কোচৰ প্ৰতি কৰা মন্তব্য। তেখেতে কোচৰ এটা শ্ৰেণী বা নাম পানী কোচৰ কথা কবলৈ গৈ কৈছে, "Pani Koch literary means "Water-Koch" evidently refers to a class of Koches, who were considered clear enough to carry water for high Caste Hindus. Even to this day the process of gradual Hinduisation is going on. A Kachari animist when becomes a disciple of a Vaisnava Gosai, is called a Sarania. His descendants, in the second or third generation having is chewed Pork and wine for two or three generation are raised to the status of Koches and considered clear enough to carry water for Brahmin. This is how the Koches swell. ( Baruah, K. L., Early History of Kamrup, 1967 : 16-17 ) বৰুৱা দেৱৰ উপৰুক্ত বক্তব্যৰ সৰল অৰ্থ হ'ল কোচ মানেই হিন্দু হোৱা কছাৰি।

——×——

● আগলৈ—



# এটি ৰাভা ইতিবৃত্ত আৰু তাৰ ইতিহাস

শ্ৰীশিবানন্দ শৰ্ম্মা

উত্তৰ - পূৰ্ব্ব ভাৰতত বিভিন্ন জাতিৰ ভিন ভিন ইতিবৃত্ত পোৱা যায়। ৰাভা সকলৰ মাজত এটি ইতিবৃত্ত অলপ-ওচৰপ সালসলনি থাকিলেও, প্ৰচলিত আছে। ডঃ ভুবনমোহন দাসে তেখেতৰ "Ethinic Affinities of Rabha" গ্ৰন্থত উল্লেখ কৰিছে যে ৰাভাসকল, গাৰোসকলৰ নিকট সম্বন্ধীয়। ডঃ দাসৰ উক্ত গ্ৰন্থখনৰ পাতনি লিখোঁতে ডঃ এছ, এছ, চৰকাৰে উল্লেখ কৰিছে যে বড়োভাষী লোকসকলৰ মাজত গাৰোসকল হ'ল তিব্বত-বৰ্ম্মী শাখাৰ পুৰনি অংশ প্লেফেয়াৰে উল্লেখ কৰিছে যে ৰাভা সকলে গাৰোপাহাৰৰ পৰা ভৈয়ামলৈ নামি আহিছে। ডঃ দাস নিজে উল্লেখ কৰিছে যে ৰাভাসকলৰ কিছুমানৰ মাজত উত্তৰ আৰু দক্ষিন নিৰ্ণয় কৰা শব্দ নাই। তেওঁলোকে উত্তৰ বোলোঁতে 'ভোঠাহিচু' বুলি আৰু দক্ষিণ বোলোঁতে 'তুৰা' বুলি উল্লেখ কৰে। ডঃ দাসে বিভিন্ন লিখকৰ লিখা উক্তি উল্লেখ কৰি সামৰনিত কৈছে যে মঙ্গোলীয় লোক সকল চামে চামে উত্তৰ আৰু উত্তৰ-পূব দিশৰ পৰা আহিছিল। তেওঁলোকে অষ্ট্ৰিক সকলক সাঙুৰি লৈ বিভিন্ন শ্ৰেণী যেনে ৰাভা, গাৰো আদিৰ সৃষ্টি কৰিছে। এতিয়া আমি ৰাভা সকলৰ ইতিবৃত্তটিৰ কথা সংক্ষেপে উল্লেখ কৰিম। —

পুৰ্ব্বকালত দদান নামেৰে এজন ৰজা আছিল। তেওঁ শোণিতপুৰ, আধু-নিক তেজপুৰত বাস কৰিছিল। দদান আছিল বাণ ৰজাৰ ভাগিন। বাণৰ মৃত্যুৰ পিছত দদানে দক্ষিণ আৰু পুবৰ আন আন লোক সকলৰ লগত যুদ্ধ কৰিব লগীয়াত পৰিছিল। অৱশেষত পৰাজিত হৈ তেওঁ ভোটানলৈ যায়। তাত আশ্ৰয় নেপাই তেওঁ নিজা স্ত্ৰী, ভনীয়েকৰ লৰা, ঝনোৰ স্বামী মাৰুক্ষেত্ৰী আৰু আন আন অনুগামী সকলৰ সৈতে দেৱানগিৰী হৈ উত্তৰ কামৰূপৰ মাজেৰে বৰপেটালৈ আহে। তাৰ পৰা তেওঁলোকে নদীৰ পাৰে পাৰে যোগীঘোপালৈ আহে। তাতে ব্ৰহ্মপুত্ৰ পাৰ হৈ তেওঁলোক পঞ্চৰত্ন পায়। তাৰ পৰা দক্ষিণ



OKDISCD

মুখে গমন কৰি বৰ্ত্তমান লক্ষীপুৰৰ ওচৰৰ ডুবু পাহাৰ পায়। তাতেই দদানে ৰাজ্য স্থাপন কৰে। মাৰুক্ষেত্ৰী সেনাপতি হয়। টিকিৰীকিল্লাত তেওঁ এটি দূৰ্গ নিৰ্ম্মান কৰে। দদানে খাছী ৰজা, ব্ৰেক, ব্ৰুক, মেৰমেৰ, মুৰমুৰ আদি দাঁতি কাষৰীয়া ৰজা সকলৰ লগত যুদ্ধ কৰিবলগীয়াত পৰে। শেহত আৰিমত্ত, ব্ৰিচান আৰু চিক্ৰুঙৰ সংযুক্ত বাহিনীৰ লগত যুদ্ধ হয়। যুদ্ধত আৰিমত্তৰ হাতত দদানৰ মৃত্যু হয়। যি ঠাইত দদান বাগৰি পৰিছিল সেই ঠাইৰ নাম হয় দদান-ডুবি। ধূপধাৰাৰ পৰা টিকিৰীকিল্লালৈকে কেবাখনো ঠাইৰ নাম এই ইতিবৃত্তত উল্লেখ আছে। ইয়াৰ পৰা আন ইতিহাস নেপালেও আমি ৰাভা সকলে উত্তৰ-পুৱৰ পৰা আহি গাৰোপাহাৰৰ উত্তৰৰ নামনি অঞ্চলত বসবাস কৰাৰ এটি বিৱৰণ পাওঁ আৰু লগতে পাওঁ তেওঁলোকে অহা পথৰ নিৰ্দ্দেশ। এইখিনিতে উল্লেখ কৰিব পাৰি যে ৰাভা সকলে যোগীঘোপাৰে ব্ৰহ্মপুত্ৰ পাৰ হোৱাৰ সময়ত তেওঁলোকৰ এটা ঠাল পশ্চিমপিনে গতি কৰি দিনাজপুৰ পাইছিলগৈ। ইতি-বৃত্তত উল্লেখ থকা ধৰ্ম্মশাস্ত্ৰৰ বাণ ৰজাক ইতিহাসলৈ আনি খাপ খুউৱাৰ আধু-নিক ঐতিহাসিক তথ্য পোৱা হোৱা নাই। কালিকাপুৰানত আছে যে বাণ ৰজা নৰকৰজাৰ বন্ধু আছিল। তাম্ৰলিপি সমূহত উল্লেখ আছে যে নৰক ৰজা সম্ৰাট ভাস্কৰ বৰ্ম্মাৰ উৰ্দ্ধপুৰুষ। তেজপুৰৰ মহাভৈৰৱ মন্দিৰ বাণ ৰজাই স্থাপন কৰা বুলি ইতিবৃত্ত আছে। ঐতিহাসিক কনকলাল বৰুৱাদেৱে বাণৰ বংশলতিকা উল্লেখ কৰোঁতে লিখিছে যে মৰিচীৰ পুত্ৰ কাশ্যপ, তেওঁৰ পুত্ৰ হিৰণ্যকশিপু, তেওঁৰ পুত্ৰ প্ৰহ্লাদ, প্ৰহ্লাদৰ পুত্ৰ বিৰোচন, বিৰোচনৰ পুত্ৰ বলি আৰু বলিৰ পুত্ৰ বাণ। কিন্তু এওঁলোকক ঐতিহাসিক ব্যক্তিৰূপে স্থাপন কৰাৰ তথ্য পোৱা হোৱা নাই। ইতিহাসত মাৰুক্ষেত্ৰীক পোৱা নাযায়। খাছীৰজা সম্পৰ্কে ইয়াকে উল্লেখ কৰিব পাৰি যে দদানে ৰাজ্য বিস্তাৰ কৰোঁতে ওচৰৰ খাছী ৰজাৰ লগত যুদ্ধ কৰিব লগীয়া হৈছিল। ব্ৰেক, ব্ৰুক, মেৰমেৰ, মুৰমুৰ, আদি নাম সম্ভৱতঃ কিছুমান পুৰণি ঠাইৰ নামৰ লগত জড়িত। সেই ঠাইবোৰত বাস কৰা বিভিন্ন জাতি বোৰোকও ঠাইবোৰৰ নামেৰে নামাকৰন কৰা হৈছিল। এই ধাৰনাৰ মূলতে ইয়াকে কব পাৰি যে মেচ আৰু কোচ



সকলৰ নামাকৰন ঠাইৰ নামৰ লগত জড়িত আছে। সমসাময়িক ইতিহাসত ব্ৰিচান আৰু চিক্ৰুঙক বিচাৰি পোৱা নেযায়। ৰাভা সকলৰ মাজত নাথপন্থৰ প্ৰভাৱ পৰা দেখা নাযায়। পঞ্চৰত্ন আৰু যোগীঘোপাত এসময়ত নাথ পন্থী সকলৰ প্ৰবল প্ৰভাৱ আছিল। গতিকে কব পাৰি যে ৰাভা সকল পঞ্চৰত্নত বৌদ্ধধৰ্ম্মী সকলে প্ৰভাৱ পেলোৱাৰ বহু আগতে সেই ঠাইত উপস্থিত হৈছিলহি। নগেন্দ্ৰ নাথ বসুৱে আৰিমত্তৰ সময় ১২৩০ খৃষ্টাব্দ বুলি কৈছে। ৰাজমোহন নাথদেৱে জিতাৰী বংশৰ আৰিমত্তক ১৪ শতিকাৰ বুলি উল্লেখ কৰিছে। কনকলাল বৰুৱাই আৰিমত্তৰ সময়কাল নিৰ্দ্ধাৰন কৰিছে ১৩৬৫-৮৫ খৃষ্টাব্দ। গেইট চাহাবে কৈছে যে কমতাপুৰ ৰাজবংশত ফেঙুৱা ৰজাই আৰিমত্তক পৰাস্ত কৰিছিল। ডঃ নগেন্দ্ৰ নাথ আচাৰ্য্যই উল্লেখ কৰিছে যে আৰিমত্ত আৰু শশাঙ্ক একেজন ৰজা আৰু তেওঁৰ সময়কাল আছিল ১৩৬৫-৬৮। ডিমৰুৱা ৰজাসকলৰ বংশাৱলীমতে তেওঁলোকে আৰিমত্তৰ বংশৰ লোক। ডঃ আচাৰ্য্যই কৈছে যে ইতিহাসত একাধিক আৰিমত্ত আছিল। ৰাভা ইতিবৃত্তৰ আৰিমত্ত আমি ওপৰত উল্লেখ কৰা আৰিমত্ত সকলৰ এজনো নহয়, কাৰন এওঁলোকৰ বহুপূৰ্ব্বে ৰাভা সকলৰ আগমন হৈছিল। কেবলমাত্ৰ ডিমৰুৱা ৰজা সকলৰ বংশতালিকাৰ আৰিমত্তকহে আমি ৰাভা সকলৰ ইতিবৃত্তৰ আৰিমত্তৰ লগত যোগাযোগ গোন্ধ পাওঁ। এই সূত্ৰৰ পৰাই আমি কব পাৰোঁ যে বৰ্ত্তমানে ৰাভা সকলৰ পশ্চিম পিনে থকা জনজাতীয় কোচ সকলৰ পূৰ্ব্বপুৰুষ সকলৰ এজন আছিল এই আৰিমত্ত ৰজা, যাৰ লগত দদানৰ সংঘৰ্ষ হৈছিল। যিহেতু দদানৰ মৃত্যু পৰ্য্যন্ত এই আৰিমত্তৰ লগত জড়িত গতিকে এই আৰিমত্তক আমি ইতিহাসৰ পিনৰ পৰা উলাই কৰিব নোৱাৰোঁ। গতিকে আধুনিক ইতিহাসকাৰ সকলে হাবা-খুৰি খাই বিচাৰি ফুৰা আৰিমত্ত আছিল দক্ষিণ পাৰৰ এজন কোচ ৰজা। এওঁ এসময়ত গোটেই পশ্চিম অসম শাসন কৰিছিল এই আৰিমত্তৰ ৰাজধানীৰ পিনে দদান অগ্ৰসৰ হোৱাৰ সময়তেই এওঁলোকৰ সংঘৰ্ষ ঘটে। আমাৰ এই আৰিমত্তৰ সময়কাল বিচাৰি যাবলৈ হলে আমি দশম শতিকালৈকে পিছুৱাই যাব লাগিব। বাংলাদেশৰ ময়মনসিং জিলাৰ টাঙ্গাইল, শেৰপুৰ, জামালপুৰ,



OKDISCD

জঙ্গলবাৰী আদি ঠাই যে এসময়ত কোচ সকলৰ পদানত আছিল সেই কথা বিভিন্ন ইতিহাসকাৰে সমৰ্থন কৰিছে। যি কি নহওক, ইতিবৃত্তটোৰ পৰা দেখা যায় যে ৰাভা সকলে পশ্চিমলৈ গমন কৰা যি গতি সেই গতি ৰুদ্ধ হৈ গাৰো পাহাৰ বগাই সোমেশ্বৰী নদীলৈকে বিস্তৃত হৈছিল। এই সন্দৰ্ভত আমি শ্ৰদ্ধেয় ডিম্বেশ্বৰ নেওগে উল্লেখ কৰা মনিকোঁৱৰ আৰু ফুলকোঁৱৰৰ গীতৰ মাজত থকা গল্পৰ কথা উল্লেখ কৰিব পাৰোঁ। এই গীত ৰজা শঙ্খলদেৱৰ সময়ৰ উল্লেখ থকা গীত বুলি কোৱা হয়। শঙ্খলদেৱক ৫ম শতিকাৰ বুলি ধৰা হয়। সেই গল্পত ৰাজ পৰিয়ালৰ আন আন নামৰ মাজত ক বাইলুক, লাচনী, লিকাই, চিকাই আৰু জোগৰা আদি নাম পোৱা যায়। তাৰে অন্ততঃ বাইলুক আৰু চিকাই ৰাভা শব্দ বুলি ধৰিব পাৰি! ৰাইলুক শব্দৰ অৰ্থ দৈৱদৰ্শন আৰু চিকাই শব্দৰ অৰ্থ হৈছে পানী। গতিকে ৫ম শতিকাত আমি ৰাভা সকলক পাওঁ। কোচ সকলৰ লগত ৰাভা সকলৰ সম্বন্ধৰ কথাও আমাক এই ৰাভা ইতিবৃত্তটিয়ে দিয়ে।

——×——

ৰায়বাহাদুৰ কনকলাল বৰুৱাৰ মতে শঙ্খলাদেৱৰ সময় খৃঃ পুৰ্ব্ব ৭ম শতিকা। তেখেতৰ যুক্তি হ'ল "পুৰু আৰু চন্দ্ৰ গুপ্তৰ মাজত আমি দুজন ঐতিহাসিক ব্যক্তি পাওঁ যি সকল খৃঃ পূঃ ৪ৰ্থ শতিকাৰ মানুহ। সেই সময়ৰ পৰা হিচাপ কৰি সেই কাল চোৱাৰ প্ৰতি ৰজাৰ সময়কাল চোৱাৰ প্ৰতি ৰজাৰ সময়কাল সংযোজন কৰিলে আমি বিহাৰৰ কৃষ্ণ ৰজাৰ সময় পাওঁ খৃঃ পূঃ ২৭৪০। আনহাতেদি কৰিস্তাই ১৪ জন ৰজাৰ ৰাজত্বকাল খৃঃ পূঃ ২৪১৬ বছৰ দেখুৱাইছে যিটো অসম্ভৱ কথা। প্ৰত্যেক শতিকাত ৩জনকৈ ৰজাই ৰাজত্ব কৰা বুলি ধৰি ললে কৃষ্ণৰ ৰাজত্বকাল পুৰুৰ ৫০০ বছৰ আগত পাওঁ বা খৃঃ পূঃ ৯ম শতিকা হয় গৈ। গতিকে ৰাই স্বৰুষ খৃঃ পূঃ ৮ম শতিকাৰ আৰু শঙ্খল খৃঃ পূঃ ৭ম শতিকাৰ।" ( R. B. Baruati, K. L., Studis in the Early History of Assam, !923 : 181 ) ●



# কৰাইবাৰী ৰাজ্যৰ ইতিকথা

*খলিন কোচ*

'ভবিষ্য পুৰাণ' ( ব্ৰহ্ম খণ্ড ) গ্ৰন্থখনত উল্লেখ আছে যে, পৌণ্ড্ৰদেশ খন সাত ভাগত বিভক্ত আছিল। যথাক্ৰমে গৌড়দেশ, বৰাহ ভুমি, বৰ্দ্ধমান, বিন্ধ্য পাৰ্শ্ব, বাৰেন্দ্ৰভূমি, নাবা খণ্ড আৰু নীবৃত দেশ। নীবৃত দেশৰ প্ৰধান নগৰ আছিল বিহাৰ, শ্ৰীবঙ্গপুৰ আৰু কচ্ছপ নগৰ।[1]

উক্ত গ্ৰন্থ খনত উল্লেখ থকা 'কচ্ছপ নগৰ' বোলা ঠাইখন খুব সম্ভৱ কৰাই বাৰী ৰাজ্যৰ ৰাজধানী কশ্যপ নগৰ বা কোচৱানগৰকে বুজোৱা হৈছে। ইয়াৰ পৰা অনুমান কৰা যায় যে, ভবিষ্য পুৰাণ ৰচনা কৰা যুগত কৰাইবাৰী অঞ্চলটো 'নীবৃত দেশ'ৰ অন্তৰ্গত আছিল।

'গোৱালপাৰা জিলাৰ ইতিহাস' গ্ৰন্থ খনৰ মতে পশ্চিম গাৰোপাহাৰ জিলাৰ নামনি অঞ্চলত জিঞ্জিৰাম নদীৰ পূৰ পাৰত পদ্মনাভ নামেৰে এজন ভুঁঞাই এখন সৰু ৰাজ্য স্থাপন কৰে ( ১৩৫০ খৃঃ )। সেই কালত এই অঞ্চলটো গভীৰ হাবি বনেৰে ভৰি আছিল। ঠায়ে ঠায়ে বিৰাট ডাঙৰ ডাঙৰ কৰাই গছ আছিল। সম্ভৱ, সেই বাবে এই অঞ্চলটোক কৰাইবাৰী নামেৰে অভিহিত কৰে। পদ্মনাভৰ পিচত তেওঁৰ পুতেক কশ্যপ ৰজা হয়। তেওঁ নিজৰ নামেৰে কশ্যপনগৰ নামদি ৰাজধানী স্থাপন কৰে। এই কশ্যপনগৰ পাছলৈ কচৱানগৰ—কোচৱানগৰ নামেৰে জনাজাত হয়।

১৪১২ খৃঃত দলিপা নামে এজন কোচ ৰজাই ময়মনসিং জিলাৰ দশকাহনীয়া অঞ্চলত ৰাজত্ব কৰাৰ উল্লেখ পোৱা যায়। উত্তৰে কৰাইবাৰী (পুঠিমাৰী), বাৰ হাজাৰী পৰগণা ব্যাপি পূবে নিতাই নদী, দক্ষিণে আৰু পশ্চিমে ব্ৰহ্মপুত্ৰ নদীলৈকে প্ৰবল প্ৰতাপী দলিপাৰ ৰাজত্ব বিস্তৃত আছিল। তেওঁৰ ৰাজধানী আছিল গড়দলিপা। দ্বিতীয় ফিৰোজ চাহ বাংলাৰ সিংহাসন অধিকাৰ কৰি সেনাপতি মজলিচ খাঁ হুমায়ুনৰ সাহায্যত দলিপাক পৰাজিত আৰু নিহত কৰে, আৰু তেওঁৰ সমগ্ৰ স্বাধীন স্বতন্ত্ৰ অঞ্চলটো সৰ্বপ্ৰথম বৃহৎ মুচলমান ৰাজ্যৰ অন্তৰ্ভুক্ত কৰে।[2]



OKDISCD

গড় দলিপা বৰ্ত্তমানে গড় জৰিপা নামে পৰিচিত। এই ঠাইখন বাংলাদেশৰ চেৰপুৰ টাউনৰ উত্তৰ-পশ্চিম ফালে সাত মাইল মান দূৰৈত ১১০০ (এঘাৰ)শ একৰ জমিৰ ওপৰত অৱস্থিত। এই গড় সাতখন মাটিৰ সুউচ্চ প্ৰাচীৰৰ দ্বাৰা পৰিবেষ্টিত আছিল। এইবোৰ প্ৰাচীৰৰ মাজভাগত ৬০ হাত প্ৰশস্ত একোখনকৈ পৰিখা আছিল। এই গড়ৰ চাৰিওফালে ৪ খন বিৰাট বিৰাট তোৰণ আৰু মাজে মাজে গবাক্ষও ( দ্বাৰ ) আছিল। উত্তৰ ফালৰ তোৰণৰ কাষত কোচ সকলৰ এখন মন্দিৰ আছিল। পিছত এই মন্দিৰটো হেনো এখন মছজিদত ৰূপান্তৰিত হয়। ১৮৯৭ চনৰ ( ১৩০৪ বাং ) ভীষণ ভূমিকম্পৰ ফলত এই গড় আৰু পৰিখাবোৰ বিশেষ ভাবে ক্ষতিগ্ৰস্ত হয়। এই প্ৰাচীৰবোৰৰ ভগ্নাৱশেষ এতিয়াও আছে। প্ৰতি বছৰ বহাগ-জেঠ মাহত দলিপাৰ স্মৃতিৰ উদ্দেশ্যে এই অঞ্চলত ৩ দিন ব্যাপি এখন মেলা বহে।[3]

১৪৯৮ খৃঃত হুচেন চাহৰ কমতা ৰাজ্য বিজয়ৰ লগে লগে কৰাইবাৰী অঞ্চলো পাঠানৰ তলতীয়া হয়। কৰাইবাৰীৰ ভূঁঞা মাল কুমাৰে হুচেন চাহৰ বশ্যতা স্বীকাৰ কৰে। হুচেন চাহে পুত্ৰ দানিয়ালক কমতা ৰাজ্যৰ শাসন কৰ্ত্তা পাতে। দানিয়াল সুশাসক নাছিল কাৰণে দেশৰ ৰজা সকলে কৰাইবাৰীৰ ভূঁঞা মালকুমাৰৰ নেতৃত্বত মিলিত হৈ হাতীশিলা দুৰ্গত বাৰিষা আক্ৰমণ কৰি তেওঁক পৰাজিত আৰু নিহত কৰে ( ১৫০৫ খৃঃ )। মাল কুমাৰে নিজৰ কৰাইবাৰী ৰাজ্য দখল কৰে।

গড় গঞা ৰজা চুক্লেন মুং কনচেং বৰপাত্ৰ গোঁহাইৰে সৈতে মুচলমান সেনাপতি তুৰ্ব্বকক বধ কৰি ১৫৩৩ খৃঃত মুচলমান সেনাক খেদিনি কৰতোৱা নৈ লৈকে আগবাঢ়ে। গৌড়েশ্বৰ খলচ্ খাঁই তেওঁৰ লগত সন্ধি কৰি কৰাইবাৰী, দশ কাহণীয়া, বাহৰ বন্দ, ভিতৰ বন্দ, কেইখনমান দুৰ্গ আহোম ৰজাক দিয়ে।[4] সেই সময়ত কৰাইবাৰীৰ শাসক আছিল নাগাক্ষ। তেওঁৰ পিচত পুতেক দুৰ্লভেন্দ্ৰ ৰজা হয়। এওঁ কোচ ৰজা বিশ্ব সিংহৰ হাতত নিহত হয়। দুৰ্লভেন্দ্ৰৰ পিচত তেওঁৰ পুতেক সুচাৰুচান্দ কৰাইবাৰী দুৰ্গৰ শাসক হয়। এওঁ ১৫৫৫ খৃঃত বিদ্ৰোহ কৰি মহাৰাজ নৰ নাৰায়ণৰ সময়ত পৰাজিত হয়।



এওঁ কোচ ৰজাৰ তলতীয়া আছিল আৰু বশ্যতা স্বীকাৰ কৰি হলেও বহু কিছুদিন ৰাজত্ব কৰিছিল।

কোচ কুল গৌৰৱ বিশ্বৰীৰ চিলাৰায়ৰ পুতেক ৰঘুদেৱ নাৰায়ণে ১৫৮১ খৃঃত কৰাইবাৰী দুৰ্গৰ শাসক ৰাম গোবিন্দক নিজৰ ফলীয়া কৰি বাহৰ বন্দ ( ৰংপুৰ জিলা ) দুৰ্গ দখল কৰে। মহাৰাজ নৰনাৰায়ণ আৰু ভতিজাক ৰঘুদেৱ নৰনাৰায়ণৰ মাজত মনোমালিন্য হোৱাত বিশাল কোচ সাম্ৰাজ্য খন 'কোচ বিহাৰ' আৰু 'কোচ হাজো' দুখণ্ডত বিভক্ত হয় ( ১৫৮১ খৃঃ ) ৰঘুদেৱ নাৰায়ণৰ সময়ত দক্ষিণ পাৰে মেচ পাৰা (লক্ষীপুৰ), কালু মালু পাৰা (বাৰ হাজাৰী), কৰাইবাৰী, দশ কাহনীয়া (চেৰপুৰ), বাহৰ বন্দ (ৰংপুৰ), সুসং দুৰ্গাপুৰ) লৈকে কোচ হাজো ৰাজ্যৰ অধীনত আছিল। ১৫৮৪ খৃঃত ঈছাখাঁই ৰঘুদেৱ নাৰায়ণৰ কোচ হাজো ৰাজ্য আক্ৰমণ কৰোতে এইবোৰ অঞ্চল দখল কৰে।

দিল্লীশ্বৰ আকবৰৰ ৰাজত্ব কালত ঈছাখাঁই যেতিয়া পূৱ ময়মনসিংহ আক্ৰমণ কৰে তেতিয়াও উত্তৰে কংস নদী, পূৱে মেঘনা নদী, পশ্চিম আৰু দক্ষিণে ব্ৰহ্মপুত্ৰ নদ এই সীমাৰ মাজ অঞ্চলত দুজন কোচ ৰজাই ৰাজত্ব কৰিছিল। এজনৰ ৰাজধানী আছিল ময়মনসিংহ চহৰৰ ওচৰত বোকাই নগৰ আৰু আন জনৰ ৰাজধানী আছিল কিশোৰ গঞ্জৰ ওচৰত জঙ্গলবাৰী। ঈছাখাঁৰ অধিকাৰৰ পিচৰ পৰা এই অঞ্চলৰ কোচ অধিবাসী সকলৰ ওপৰত মুচলমান ধৰ্ম বিস্তাৰ লাভ কৰিবলৈ আৰম্ভ কৰে।[5]

দুৰ্দ্দান্ত প্ৰতাপ শালী ঈছাখাঁই আক্ৰমণৰ পিচত আক্ৰমণ কৰি সমগ্ৰ দক্ষিণ পূৱ অঞ্চলৰ পৰা গাৰো চৰ্দাৰ আৰু কোচ ভূঁঞা সকলক গাৰোপাহাৰলৈ বিতাৰিত কৰে আৰু জঙ্গল বাৰী দুৰ্গ অধিকাৰ কৰি নেত্ৰকোনা দুৰ্গ সেনাপতি মদন কোচ, বোকাই নগৰ আৰু কাগমাৰী দুৰ্গ কোচ সেনাপতি সকলক যুদ্ধত ঘটুৱাই জঙ্গলবাৰীত নিজৰ ৰাজধানী স্থাপন কৰে।[6]

বঙ্গৰ চুবাদাৰ ইচলাম খাঁৰ সেনাপতি মক্কম খাঁই কোচ হাজো ৰাজ্যৰ আক্ৰমণ কৰাৰ সময়ত কৰাইবাৰী দুৰ্গত ৰজা পৰীক্ষিত নাৰায়ণৰ ভতিজাক মধুসূদন শাসক আছিল ( ১৬০৭ খৃঃ )। মোগল সেনাই তেওঁক বন্দী কৰি

**With Best Compliments From:-**

*PHONE* *Offi. 337*
*Resi. 269*

# Hill Auto Traders

**T.M. ROAD Tura—794001**

**West Garo Hills Meghalaya**

**FOR ALL KINDS OF AGRIL. IMPLEMENTS & SPARE PARTS**

OKDISCD

নিছিল। নৰনাৰায়ণে ভায়েক নৰসিংহক খেদি ৰজা হোৱাৰ সময়ত নৰ সিংহৰ এজন পুতেক ব্যাস কেতু ৰংপুৰ জিলা তথা ইয়াৰ দাঁতি কাষৰীয়া অঞ্চলত ৰাজত্ব কৰিছিল। তেওঁৰ পুতেক মধুসূদনে ১৬:৪ খৃঃত কোচ ৰজা লক্ষ্মী নাৰায়ণ ঢাকাত বন্দী হৈ থকা কালত ৰজাৰ পক্ষে মোগলৰ বিৰুদ্ধে অস্ত্র ধৰিছিল। "বাহান্দি স্তানে ঘাইবী"ত মধুসূদন আৰু তেওঁৰ বংশধৰ সকলৰ বীৰত্বৰ কথা বহুল ভাবে উল্লেখ কৰা আছে।[৭]

ৰজা পৰীক্ষিত নাৰায়ণৰ পুতেক চন্দ্র নাৰায়ণে বহুতো স্বজাতীয় কোচ, ৰাজবংশী সৈন্য সংগ্ৰহ কৰি কৰাইবাৰীত কোঠ মাৰি আছিল আৰু মোগলৰ বিৰুদ্ধে যুঁজি যুঁজি নিজ পিতৃ ৰাজ্য উদ্ধাৰৰ চেষ্টাত লাগি পৰি আছিল।[৮] ১৬৩২ খৃঃত চন্দ্র নাৰায়ণে কৰাইবাৰী দুৰ্গ দখল কৰে। এই চন্দ্র নাৰায়নেই বিজনী আৰু বেলতলা কোচ ৰাজ্যৰ প্ৰতিষ্ঠাতা।

১৭৪০ খৃঃত সূৰ্য্য নাৰায়ণ কৰাইবাৰী অঞ্চলৰ শাসন কৰ্ত্তা হয়। সেই সময়ত তেওঁ সম্পূৰ্ণ দক্ষিণ পাৰত প্ৰভুত্ব বিস্তাৰ কৰে। সূৰ্য্য নাৰায়ণৰ পিচত তেওঁৰ পুতেক ধৰ্ম নাৰায়ণ আৰু তেওঁৰ পিচত পুতেক মহেন্দ্ৰ নাৰায়ণ কৰাইবাৰীৰ ৰজা হয়। এই ৰাজবংশই ১৭৪০ খৃঃৰ পৰা ১৮০৯ খৃঃলৈকে প্ৰবল প্ৰতাপেৰে কৰাইবাৰী অঞ্চলত ৰাজত্ব কৰিছিল। নবাৱ সকলে তেওঁলোকক চৌধুৰী উপাধি দিছিল। 'দক্ষিণ কূলৰ কোচ সকলেই হ'ল এই ৰাজ্যৰ আৰু ৰাজ বংশৰ বংশধৰ তথা আদিম অধিবাসী।' [ জন সংযোগ, অসমঃ নতুন মহকুমা দঃ শালমাৰা মানকাচৰ, পৃঃ ২৭ ]।

১৭৬৫ খৃঃত দেৱানী গ্ৰহণ কৰি বৃটিচ সকলে কোচবিহাৰ নগৰৰ ৰজা সকলৰ মোগল বা ঢাকাৰ নবাৱৰ লগত থকা বন্দোবস্ত নাকচ কৰে আৰু কপাহ তুলাৰ পৰিবৰ্ত্তে নজৰাণা হিচাবে টকা ধাৰ্য্য কৰে। ৰাজা সূৰ্য্য নাৰায়ণে নজৰানা দিবলৈ মান্তি নোহোৱাত ইষ্ট ইণ্ডিয়া কোম্পানীৰ লগত তেওঁৰ বিবাদ আৰম্ভ হয়। যাৰ ফলত ১৭৯৮ খৃঃত কৰাইবাৰী ৰাজ্যৰ শেষ স্বাধীন ৰজা মহেন্দ্ৰ নাৰায়ণে ইষ্ট ইণ্ডিয়া কোম্পানীৰ বিৰুদ্ধে প্ৰকাশ্যে যুদ্ধ ঘোষণা কৰে। বৃটিচ সৈন্যই ৰাজধানী কোচবিহাৰ নগৰ দখল কৰাত ৰজাই পলাইগৈ পাহাৰৰ ভিতৰত

With Best Complimens Form:-

# DECORA

For All Kinds of House Decorating and Office Furniture

**P. O. Tura**

**Dist. West Garo Hills, (Meghalaya)**

***PHONE: 543***

আত্ম গোপন কৰে। কোম্পানীয়ে মহাৰাজ মহেন্দ্ৰ নাৰায়ণৰ ৰাজ্য মিছাকৈ বাকী খাজনাৰ কাৰণ দৰ্শাই নিলামত বিক্ৰি কৰি দিয়ে। ১৮০৯ খৃঃত কৰাই-বাৰী জমিদাৰীৰ সৃষ্টি হয়। ৰাজ্য হেৰুৱাই ৰজা পগলাৰ নিচিনা হৈ যায়; সেই কাৰণে তেওঁ 'পাগলা ৰাজা' বুলিও জনাজাত। ১৮১৫ খৃঃত দুৰ্দ্ধষ বৃটিচ সৈন্যই ৰজাক বন্দী আৰু হত্যা কৰে। মহাৰাজ মহেন্দ্ৰ নাৰায়ণৰ পতনৰ পিচত ৰমানাথ ৰাধা কৃষ্ট, ভবানী প্ৰসন্ন, কৃষ্ণ প্ৰসন্ন, গৌৰী প্ৰসন্ন, প্ৰভৃতি ৰং-পুৰৰ লাহিড়ী জমিদাৰ সকলে এই কৰাইবাৰীৰ জমিদাৰী পুৰুষানুক্ৰমে ভোগ কৰি আছে। তেওঁলোক ৰংপুৰ সদৰৰ পৰাই জমিদাৰী চলাইছিল। বৃটিচে কৰাইবাৰী (পুঠিমাৰী) ত এখন থানা বহুৱায়।

কৰাইবাৰী ৰাজ্যৰ ৰজা সকলৰ আনুমানিক সময় কাল তলত দিয়া হ'ল।[৯]

পদ্মনাভ = ১৩৫০—১৩৭৫ খৃঃ
কশ্যভ = ১৩৭৫—১৪০০ ,,
নাম জনা না যায় = ১৪০০—১৪৯৫ ,,
মাল কুমাৰ = ১৪৯৫—১৫২০ ,,
নাগাক্ষ = ১৫২০—১৫৩৯ ,,
তুলভেন্দ্ৰ = ১৫৩৯—১৫৪০ ,, ( নিহত )
সুচাৰুচান্দ = ১৫৪০—১৫৫৫ ,, ( নিহত )
নাম জনা নাযায় = ১৫৫৫—১৭৪০ ,,
সূৰ্য্য নাৰায়ন = ১৭৪০—১৭৭৬ ,,
ধৰ্ম নাৰায়ণ = ১৭৭৬—১৭৮৮ ,,
মহেন্দ্ৰ নাৰায়ণ = ১৭৮৮—১৮১৫ ,, ( নিহত )

১৮১২ খৃঃত গাৰোপাহাৰক সীমা ধৰি গোৱালপাৰাকলৈ উত্তৰ-পূৱ ৰংপুৰ জিলা নামদি মিঃ ডেভিদ স্কট চাহাবৰ তলত শাসন ভাৰ দিয়া হৈছিল। ১৮২২ খৃঃত ধুবুৰী, গোৱালপাৰা আৰু কৰাইবাৰী (পুঠিমাৰী?) এই তিনি খন থানালৈ গাৰোপাহাৰ সহ প্ৰথম গোৱালপাৰা জিলা গঠন কৰা হয়। ১৮৪৯-



OKDISCD

*With Best Complimnts Form:-*

**PHONE: 310**

**M/s HARE KRISHNA SARKAR & SONS**

**GENERAL MERCHANTS, GOVT. RATION CONTRACTOR & STATIONERY SUPPLIERS**

Tura-794001, Dalu Road

*West Garo Hills Meghalaya.*

৫৪ খৃঃত কেল্‌চো চাহাবে গাৰোপাহাৰ-গোৱালপাৰা সীমা জৰীপ কৰে। ১৮৬৬ খৃঃত বৃটিচে ডুৰা কোচৰ কিল্লা > তুৰাত এটা শাসন কেন্দ্ৰ প্ৰতিষ্ঠা কৰে। ১৮৬৮ খৃঃত দামালগিৰিহৈ তুৰা-মানকাচৰ ৰাস্তা তৈয়াৰ কৰা হয়।

১৮৬৯ খৃঃত ৰিজনী, মেচপাৰা, কালু মালু পাৰা, কৰাইবাৰী, দশকাহনীয়া, সুসং দুৰ্গাপুৰ আদি কেইৰাটাও পৰগণাৰ পাৰ্ব্বত্য অংশ আৰু অন্যান্য খাচ গাৰো পাৰ্ব্বত্য অঞ্চলৈ গাৰোপাহাৰ (Garo Hills) জিলা গঠন কৰে। কেপ্টেইন উইলিয়াম্‌চন, কেপ্টেইন ডেভিছ আৰু জিলা পুলিচ অধীক্ষক ভালিয়ে সম্পুৰ্ণ গাৰোপাহাৰ খন দখল কৰি তুৰাত গাৰোপাহাৰ জিলাৰ সদৰ পাতে (১৮৭৪ খৃ)।[১০]

১৮৭৫ খৃঃত ৰেকেট চাহাবে চিধা লাইন টানি গাৰোপাহাৰ-গোৱালপাৰা সীমা পুনৰ নিৰ্দ্ধাৰণ কৰে। জমিদাৰ সকলৰ যিবোৰ অঞ্চল নতুনকৈ স্পষ্ট কৰা গাৰোপাহাৰ জিলাৰ ভিতৰত পৰিল তাৰ বাবে তেওঁলোকক ক্ষতি পূৰণ দিয়া হয়। গাৰোপাহাৰ জিলাত পৰা অংশৰ বাবে ৰাজহৰ ৭৫ ভাগ কৰাইবাৰী জমিদাৰক দিয়া হয়। কৰাইবাৰীৰ বাকী অংশ খিনি অৰ্থাৎ দঃ শালমাৰা-মানকাচৰ মহকুমাৰ পাহাৰ অঞ্চলটোক আজিও 'ৰাজাহিল' (Raja Hills) বুলি কোৱা হয়।

গাৰোপাহাৰ জিলাৰ উত্তৰ, পশ্চিম আৰু দক্ষিণ অঞ্চল পূৰ্ব্বে গোৱালপাৰা জিলাৰে অংশ আছিল। ১৮৬৯ খৃঃত সেই সময়ৰ গৌৰীপুৰ (কালুমালু পাৰা), লক্ষীপুৰ (মেচ পাৰা) আৰু কৰাইবাৰী জমিদাৰ সকলে ইয়াৰ খাজনা তেতিয়াৰ গাৰোপাহাৰ ভূমি-ৰাজহ বিভাগকে তুলিবলৈ দায়িত্ব দিছিল আৰু তাৰ বাবদ শতকৰা ৩৩ ভাগ সংগৃহীত ৰাজহ তেওঁলোকে দক্ষিণা হিচাবে দিছিল। তেতিয়াৰে পৰা এই অঞ্চলটোৰ খাজনা তুৰা-প্ৰশাসনেই তুলি আহিছে আৰু নিজৰ অংশ ৰাখি বাকী অংশটো জমিদাৰ সকলক সোধাই আহিছে। ১৯৩০ চনত এই অঞ্চলটোত ভূমি জৰীপ হয় আৰু তেতিয়াই ইয়াক পুৰ্ব্বৰ জমিদাৰ সকলৰ নিৰ্দ্ধাৰিত চৰ্ত্তবোৰ বাহাল ৰাখি গাৰোপাহাৰ জিলাৰ লগত সাঙুৰি দিয়া হয়।[১১] ১৯৫৭ চনত জমিদাৰী প্ৰথা উঠি যায়। বহুকাল ধৰি এই অঞ্চলটো জমিদাৰী শাসনৰ কবলত আছিল।



OKDISCD

*With Best Compliments from :*

**Phone : (O) 472**
**(R) 549**

# usha trading concern

**Govt. Licenciate Electrical**
**Contractor, Supplier & General Merchant.**

**R. C. C. Bazar, Building No. 6**

**TURA—784001 ( Meghalaya )**

১৯৭০ চনৰ এপ্ৰিল মাহৰ ২ তাৰিখত গাৰোপাহাৰ, খাচী পাহাৰ আৰু জয়ন্তীয়া পাহাৰ জিলাক লৈ অসম ৰাজ্যৰ পৰা বিচ্ছিন্ন কৰি স্বকীয়াকৈ মেঘালয় ৰাজ্য গঠন কৰে। ১৯৭৫ চনত গাৰো পাহাৰ জিলা খনক পুব অংশ আৰু পশ্চিম অংশ-লৈ দুখন জিলাত বিভক্ত কৰা হয়।[১২] আকৌ গোৱালপাৰা জিলা খনকো ১৯৮৩ চনৰ ১লা জুলাই তাৰিখে ধুবুৰী, কোকৰাঝাৰ আৰু গোৱালপাৰা নামেৰে এই তিনিটা জিলাত বিভক্ত কৰা হয়।

১৯৮৩ চনৰ ১৫ আগষ্টত অসমৰ প্ৰাক্তন জল সিঞ্চন মন্ত্ৰী জেহিৰুল্ ইচলামে দঃ শালমাৰা-মানকাচৰ মহকুমা নামাকৰণ কৰি এখন নতুন মহকুমা উদ্বোধন কৰে। এই নৱ গঠিত মহকুমাৰ সদৰ ঠাই হাট শিঙিমাৰী। ইয়াৰ ওচৰতেই হেলেডি গঞ্জ; বৃটিচৰ দিনৰ ডি, চি, ৰ নামেৰে ঠাই ডোখৰৰ নাম হেলেডিগঞ্জ হয়। [ ২৬ আগষ্ট, ১৯৮৩ : অসম বাণী ]। ১৯৮১ চনৰ ডিচেম্বৰ মাহত প্ৰাক্তন এম, এল, এ, শ্ৰীভদ্ৰেশ্বৰ কোচৰ উদ্যোগত আমপাতীত Administrative Unit ৰ আধাৰ শিলা স্থাপন কৰে মেঘালয়ৰ প্ৰথম মুখ্যমন্ত্ৰী কেপ্টেইন উইলিয়ামচন চাংমাই। সিদিনা গাৰো সকলে ৱাংগালা নৃত্য আৰু কোচ সকলে হুকো গীত আৰু নাচ প্ৰদৰ্শন কৰে। আকৌ ১৯৮২ চনৰ ১৫ অক্টোবৰ তাৰিখত আমপাতীত এখন নতুন মহকুমা (Civil Sub-Diivision) ৰ আধাৰ শিলা স্থাপন কৰা হয়।

পশ্চিম গাৰো পাহাৰ জিলাৰ উত্তৰে ফুলবাৰী, পূৱে তুৰা, দক্ষিণে ডালু আৰু পশ্চিমে ধুবুৰী জিলাৰ মানকাচৰ থানাৰ অন্তৰ্গত এই বৃহৎ পাৰ্ব্বত্য নামনি অঞ্চলটোক এক কালত কৰাইবাৰী ৰাজ্য বুলি কোৱা হৈছিল। 'গাৰোহিল ৺কামাখ্যা কাহিনী' ত এনে দৰে উল্লেখ আছে :-পুৰাকালে গাৰোহিল বুলিয়া কোনো জেলা ছিল না। প্ৰাচীন কামৰূপেৰ অন্তৰ্ভুক্ত এই অঞ্চলে কৰাইবাৰী নামে একটি স্বাধীন ৰাজ্য ছিল।"



OKDISCD

গ্ৰন্থ টোকাঃ

১) বঙ্কিম চন্দ্ৰেৰ গ্ৰন্থাৱলী (পৃঃ ২০৬)।
২) প্ৰথম গুপ্ত—মুক্তি যুদ্ধে আদিবাসী (পৃষ্ঠা ২২-২৩)
৩) প্ৰমথ গুপ্ত—যে সংগ্ৰামেৰ শেষ নেই (পৃষ্ঠা ১২)।
৪) ৺ৰাজমোহন নাথ—বীৰ চিলা ৰায়।
৫) ডঃ আশুতোষ ভট্টাচাৰ্য্য—বাংলাৰ লোক সাহিত্য।
৬) খলিন কোচ—কোচ ৰজা দলিপা (নিবন্ধ)।
৭) অম্বিকা চৰণ চৰকাৰ—কোচ-ৰাজবংশী জাতিৰ ইতিহাস আৰু সংস্কৃতি (পৃঃ ৯৬)।
৮) অম্বিকা চৰণ চৰকাৰ—ৰত্নপীঠত এভুমুকি (পৃঃ ১৫-১৬)।
৯) শিৱানন্দ শৰ্মা—গোৱালপাৰা জিলাৰ ইতিহাস (পৃঃ ১৩৭)।
১০) সদানন্দ চলিহা—ভাৰত বুৰঞ্জী (পৃঃ ২৩০)
১১) সাপ্তাহিক 'অসম বাণী'-১৯৭৪ চনৰ এটি সংখ্যা।
১২) ক্ষিতীশ বৰ্মন—মেঘালয়ৰ চমু ভুগোল টোকা, পৃঃ ১৩।

*প্ৰবন্ধটো যুগুত কৰোতে শিৱানন্দ শৰ্মাৰ 'গোৱালপাৰা জিলাৰ ইতিহাস' গ্ৰন্থখনৰ বিশেষ ভাবে সহায় লোৱা হৈছে—লিখক।

---



# জীৱন বৃদ্ধিত পানীৰ পবিত্ৰতা আৰু সংস্কৃতিৰ ধাৰা ॥

ইন্দ্ৰ কোচ

পানী! নামটো সঁচাকৈ পবিত্ৰ আৰু মহত্বপূৰ্ণ। বিশ্বজনীন এই পানী নামৰ পবিত্ৰ ৰসগৰ্ভত সৃষ্টিৰ অনাদি কালৰ পৰা মহা মহাপুৰুষ তথা সাধক-সন্ত প্ৰৱৰৰে জীৱাত্মাৰ জীৱন সাধন, শান্তি, শৃঙ্খলা আৰু প্ৰয়োজনীয়তা সম্বন্ধে নানান পথ দৰ্শন মূল্যায়ণ কৰি গৈছে।

জীয়াই থকাৰ বাবে পানীৰ অনিবাৰ্য্য প্ৰয়োজনীয়তাৰ কথাই স্পষ্ট হয় যে সংস্কৃত শব্দত পানীক—জল, বাৰি, নীৰ আদিকে সমান 'জীৱন' বুলিয়ো কোৱা হয়। এইটো এক প্ৰত্যক্ষ সত্য যে যত পানী নাই তাত কোনো জীৱ-জন্তু বসবাস কৰিব নোৱাৰে আন কি গছ-গছনিয়ো হব নোৱাৰে। পানীৰ দ্বাৰা সৃষ্টি তথা পানীৰ প্ৰয়োজনীয়তা সম্বন্ধে কোচ সম্প্ৰদায়ৰ মাজত এক পবিত্ৰ সত্য বিচাৰৰ চানেকী তেওঁলোকৰ সাম্প্ৰদায়িক তথা সাংস্কৃতিক লোক শাস্ত্ৰভিত্তিত পুজা অৰ্চনা অদ্যাপি চলি আছে।

পানীক কোচ সম্প্ৰদায়ৰ লোক সকলে 'চিকা' বা 'টিকা' বুলি কয়। 'চি'—তেজ বা শক্তি, 'কা'—পবিত্ৰ। চি+কা=চিকা হল পৰম ব্ৰহ্মাৰ এক পবিত্ৰ শক্তি। চিকাৰ উৎপত্তি সম্বন্ধে কোচ সকলৰ এক লৌকিক জনশ্ৰুতি আছে—যাৰ সাদৃশ্য ব্ৰহ্মবৈৱৰ্ত্ত পুৰাণ সৃষ্টি অধ্যায়ত বৰ্ণিত মতে—মনুৰ বিচাৰ আছিল যেনে বহুতো লোক-লোকান্তৰবোৰ পৰমাত্মাৰে সৃষ্টি তদ্ৰূপ চিকা/ পানীৰ সৃষ্টি—সং ভিধ্যায় শৰীৰান্তচাত সিসক্ষ, বিবিধাঃ প্ৰজা। অপ এব, সসজোদী তাস্থু বীজভৰাস্থজন॥ (মনুস্মৃতি ১/৪) অৰ্থাৎ সয়ম্ভু, ভগৱানে বিভিন্ন জীৱ-জন্তুবোৰক সৃষ্টি কৰাৰ ইচ্ছাৰে সৃষ্টিৰ প্ৰাৰম্ভতে স্ব-শৰীৰে পানীৰ সৃষ্টি কৰে আৰু সেইবোৰক প্ৰাণ দিয়ে। ভগৱানৰ 'নাৰায়ণ' নামটো পানী



OKDISCD

শব্দৰ মহত্ব সূচক। নৰ (পৰমাত্মা) ৰ পৰা হোৱাৰ কাৰণে পানীক 'নাৰ' কোৱা হয়। এই 'নাৰ' (পানী) ভগবানৰ 'অয়ন' স্থান হৈছে, সেয়ে ভগবানক 'নাৰায়ণ' (নাৰ+অয়ন=নাৰায়ণ) পানীত স্থিত কোৱা হয়। ধৰ্ম্মপ্ৰাণ ব্যক্তি সকলে জানে নিশ্চয়—ইঞ্জীলতো এই বিষয়ে সাদৃশ্য থকা বিচাৰ ব্যক্ত কৰা দেখা যায় —পৰমেশ্বৰৰ আত্মা পানীৰ ওপৰত পৰিব্যাপ্ত আছিল (পুৰণা ধৰ্ম্ম নিয়ম, উৎপত্তি ১/২)।

জনশ্ৰুতি মতে কোচ সকলৰ সৃষ্টি তত্বত পৰমাত্মাৰ 'তৌৱ-ফুট-গিৰি' বুলি কোৱা হৈছে। 'তৌৱ-ফুট্-গিৰি'ৰ ইচ্ছাৰে বিশ্বসৃষ্টিৰ বাবে নিজৰ আধ্যাত্মিক শক্তিৰ দ্বাৰা জলময় সমুদ্ৰৰ ওপৰি ভাগৰ পানীৰে 'বাঁলী' (সৃষ্টিকৰ্ত্তা)ক সৃষ্টি কৰে। তৌৱ-ফুট্-গিৰিৰ আদেশ মতে বাঁলীই পানীত ওপঙি থকা অৱস্থাত প্ৰথমে জলচৰ জীৱ মৎস্যৰূপী —'মাগুৰমাতা' ক্ৰমে উভচৰ জীং—'হেলংমাতা' (মাগুৰমাছ আৰু কেকোঁৱা) ৰ ৰূপত সমুদ্ৰ গৰ্ভৰ পৰা সামান্য মাটিৰে পৃথিৱী সৃষ্টি কৰে আৰু সেই মাটিৰে নিজৰ আকৃতিত প্ৰথমে মানৱ জীৱ সৃষ্টি কৰি অন্যান্য প্ৰাকৃতিক জীৱ-জন্তুৰ ৰূপ সৃষ্টি কৰে আৰু প্ৰকৃতিৰ নানান গছ-লতাৰ আকৃতি সৃষ্টি ৰচনা কৰে। বাঁলীই সৃষ্টি কৰা মানৱ তথা জীৱ-জন্তু আৰু গছ-লতাৰ প্ৰাণ সৃষ্টি কৰ্ত্তা 'বাঁলী'ই দিব পৰা নাছিল, 'বাঁলী'ৰ ইচ্ছা আছিল পৰম গুৰু পৰমাত্মাৰ অনুগ্ৰহলৈ তেওঁৰ সৃষ্টি লোকৰ অমৰ প্ৰাণদান কৰিব। পিচে সৃষ্টিৰ মহিমা স্বাৰ্থক নহ'ল। বাঁলীৰ দুই পত্নী—গাঙ্গাজুং-তুগু'জুং-ৰ ইচ্ছা শক্তিৰে 'বাঁলী'ই সৃষ্টি কৰা প্ৰাণ হীন মাটিৰ প্ৰাণীবোৰৰ প্ৰতি দয়া তথা নাৰী শক্তিৰ অনুভৱপ্ৰিয় মনকামনা পূৰণ কৰাৰ উদ্দেশ্যেৰে বাঁলীৰ অনুপস্থিতিৰ সময়ত 'গাঙ্গাজুই-তুগু'জুং' দুয়ো স্ত্ৰীদ্বয়ৰ 'কান্বাং' নামৰ চাঁদৰৰ আঁচলত লোৱা পানীৰে প্ৰাণহীন মাটিৰ প্ৰাণীবোৰৰ গাত ছটিয়াই অস্থায়ী প্ৰাণদান দিছিল। সেয়ে প্ৰকৃতিৰ প্ৰতিটো জীৱৰে প্ৰাণ অস্থায়ী আৰু চিকা বা পানীৰে নিৰ্ম্মিত প্ৰাণ বুলি বিশ্বাস কৰা হয়। জন্মৰ পৰা মৃত্যু তথা মৃত্যুৰ পিচতো মৃত ব্যক্তিৰ আত্মা শান্তি আৰু শুদ্ধ কৰা কাৰ্য্যত কোচ সকলৰ সাম্প্ৰদায়িক বিচাৰ মতে চিকা বা জলপিণ্ডৰ প্ৰয়োজন অন্যতম আৰু অনিবাৰ্য্য কাৰ্য্য। গাঙ্গাজুং-তুগু'জুং দুয়ো মাতৃদ্বয়ৰ 'পেটাৰ চিকা চৌলপাগ' (পবিত্ৰ জলপিণ্ড)-ৰ দ্বাৰা আদিম মানৱৰ সৃষ্টি হৈছিল সেয়ে কোচ সকলে বিশ্ব ব্ৰহ্মাণ্ডৰ আদি সৃষ্টি গৰাকী-'বাঁলী' আৰু স্ত্ৰীদ্বয় গাঙ্গাজুং-তুগু'জুংক তেওঁলোকৰ আৰাধ্য পিতৃ দেৱতা আৰু মাতৃ দেৱী ৰূপে আজিও পূজা অৰ্চনা কৰি আহি আছে। 'মৌতিৰ তাঙি' (মাতৃ অৰ্চনা); হুচীৰাটনি (শুদ্ধহোৱা), নূৰ তাঙি (ঘৰ পূজা) এই পূজা অৰ্চনা ঘৰুৱা বাবেও হয় আৰু সামাজিক ব্যৱস্থাও আছে।

যুগ ধৰ্ম্মমতে মানৱৰ মাজত যেতিয়াই ধৰ্ম্মৰ গ্লানি তথা বিশৃঙ্খলতাৰ সৃষ্টি হয় তেতিয়াই আবিৰ্ভাৱ হয় ঐশ্বৰিক শক্তি সম্পন্ন পুৰুষ। কোচ সংস্কৃতিত অত্যাদি কালৰ পৰা তেনে আবিৰ্ভাৱ মন কৰিব-লগীয়া। সৃষ্টি কৰ্ত্তা বাঁলী বিশ্ব তথা বিশ্বৰ প্ৰাণীবৰ্গ সৃষ্টি কৰিলে সঁচা, কিন্তু; সৃষ্টিৰ প্ৰথম অধ্যায় সাৰ্থক নোহোৱা জানি সৃষ্টিৰ অন্যতম প্ৰাণী মানৱ আত্মাত জ্ঞান, বুদ্ধি তথা ধৰ্ম্মৰ ভাৱ জগাবলৈ স্বয়ং সৃষ্টিকৰ্ত্তা আৰু, তেওঁৰ পত্নীদ্বয় দ্বিতীয়বাৰৰ বাবে পৃথিৱীৰ মঙ্গল আৰু মানৱ জাতিৰ মাজত ধৰ্ম্মজ্ঞান প্ৰদান কৰিবলৈ মানৱদেহ ধাৰণলৈ বিশ্বত অৱতীৰ্ণ কৰে। সৃষ্টি কৰ্ত্তাৰ পত্নীদ্বয় গাঙ্গাজুং-তুগু'জুঙে মানৱ জাতিৰ ধৰ্ম্ম, কৰ্ম্ম, ৰীতি-নীতিৰ মাজত দ্বিতীয় অৱতীৰ্ণত পৰিচয় দিলে—'গেলাও ৰাঙ্গীন' আৰু 'গোলাও চৌলপাগ'। গোলাও শব্দটো ঘিলাগুটিৰ পৰা হোৱা। 'ৰাঙ্গীন'—দেৱী বা ৰাণী আৰু 'চৌলপাগ' মানে শক্তি বা প্ৰাণ। দুয়ো মাতৃদ্বয় প্ৰথমে ঘিলাগুটিৰূপে নদীৰ পানীত অৱতীৰ্ণ হৈ পবিত্ৰ মানৱব্যক্তি-'আঁৰান' -'বাঁৰান' দুই ভাতৃদ্বয়ৰ হাতত ধৰা দিয়ে: 'গোলাও ৰাঙ্গীন' (জলদেৱী) 'বাঁৰান' (সৰুভাই) ৰ হাতত ধৰা দি মানৱ ৰূপ ধাৰণ কৰাৰ সক্ষম হয়, পিচে গোলাও চৌলপাগা (শক্তিদেৱী) আঁৰান (ডাঙৰ ককাই) ৰ হাতত ধৰা দিয়ে কিন্তু: ঘিলাগুটিৰ ৰহস্য বুজিব নোৱাৰি ঘৰৰ চোতালত আঁৰাণে ঘিলাগুটিটি নষ্ট কৰাত নষ্ট হোৱা ঘিলাগুটিৰ পৰা তেজ আৰু পানী বৰলৈ ধৰে আৰু ৰিকটু নাৰী কণ্ঠত ভবিষ্যত বাণী দিয়ে যে—তাই মানৱ জাতিৰ শক্তিদাতাদেৱী, প্ৰাণ আৰু প্ৰেমৰ ৰক্ষিতা। ধৰ্ম-কৰ্ম্মৰ ধাৰে তাই মানৱ জাতিৰ মাজত অৱতীৰ্ণ হৈছিল সেইয়া পূৰ্ণ নহ'ল। তাইৰ অবিহনে বিশ্ব তথা মানৱ জাতিৰ মাজত





OKDISCD

কেতিয়াও শৃঙ্খলা, প্ৰীতি, প্ৰেমভাৱ ঘটিব নোৱাৰে আৰু মঙ্গল হব নোৱাৰে। সৃষ্টিকৰ্ত্তা বীলাই দ্বিতীয় অৱতীৰ্ণত ৰূপ ললে 'ঋষি' নামত। ঋষি শব্দৰ অৰ্থ 'ৰীষিণ' বা বীৰ্য্য।

কোচ লোক শাস্ত্ৰৰ সৃষ্টি তত্বৰ দ্বিতীয় অধ্যায় মতে কূৰ্ম্ম অৱতাৰ সৃষ্টিৰ সাদৃশ্য পৰিলক্ষিত হয়। ভাঙৰ ভাই আঁৰীনৰ হাতত শক্তিদাতাদেবী ( গেলাও চৌলপাগা ) পূৰ্ণশক্তিৰে মানৱৰূপ অৱতাৰণ কৰাত সফল হোৱা নাছিল। সেয়ে কৰ্ম্মফল স্বৰূপে আঁৰীনৰ জীৱনত কালৰ কুদৃষ্টি লাগি ভাতৃ ৰীৰীনক চক্ৰান্ত কৰি অপঘাট হত্যা কৰে আৰু যি নদীৰ পাৰত হত্যা কৰা হৈছিল সেই নদীৰ পানী পাৰ হবলৈ চেষ্টা কৰোঁতে পানীৰ স্পৰ্শৰ লগে লগে আঁৰীনৰ মানৱ ৰূপ হঠাতে কূৰ্ম্মৰূপ ( উশুং ) ধাৰণ কৰিবলৈ বাধ্য হৈছিল। জন্মান্তৰবাদ আৰু পাপ পুণ্য কৰ্ম্মফলৰ বিশ্বাস কোচ সকলৰ মাজত আছে। গেলাও ৰাঙ্গীনৰ আদেশ মতে মৃত বীৰীনৰ জলন্ত দেহাৰ ছাই, পবিত্ৰ নদীৰ পানী আৰু কঁপাহ মাটিৰ পাত্ৰতদি মৃত বীৰীনৰ আত্মা শান্তি আৰু শুদ্ধি তথা মানৱ জাতিৰ মঙ্গলৰ বাবে নদীৰ পাৰত অপেক্ষাৰত আঁৰীনৰ সতী সাধ্বী স্ত্ৰী 'মৌলীম'ক পূজা অৰ্চনৰ জ্ঞানদি পাত্ৰটি কূৰ্ম্মৰূপী আঁৰীনৰ পিঠিত দিয়াত কূৰ্ম্মৰূপী আঁৰীনে তেওঁৰ পত্নী মালীমৰ হাতত পাত্ৰটি অৰ্পণ কৰি নিজৰ কৰ্ম্মফলৰ প্ৰায়শ্চিত্ত কৰে। তেতিয়াৰে পৰা মৃত ব্যক্তিৰ শ্ৰাদ্ধক্ৰিয়া আৰু শুদ্ধহোৱাৰ কাৰ্য্যই অদ্যাপি চলি আছে। উক্ত শ্ৰাদ্ধক্ৰিয়া আৰু শুদ্ধহোৱাৰ কাৰ্য্যই কোচ সংস্কৃতিত 'চিকা-ৰীৰি' নামে পৰিচিত। শ্ৰাদ্ধক্ৰিয়া আৰু শুদ্ধহোৱাৰ কাৰ্য্য মাতৃজাতৰ দ্বাৰাই পৰিচালিত। 'চিকা-বীৰি'ৰ (জলপিণ্ড) ৰ লগতে কন্‌চিং ৰেশি বা হুচীমীঞ্জি ৰাকায়ঙি ( শুদ্ধহোৱা ) কাৰ্য্য কোচ সকলে অতীৱ মহৎ আৰু চৰম প্ৰয়োজনীয় অনুভৱ কৰে।

বিশ্বাস, যে—সৃষ্টিৰ তৃতীয় অৱতীৰ্ণত 'গেলাও চৌলপাগ'—শক্তিদাতাদেবী তথা প্ৰাণ আৰু প্ৰেমৰ দেবী স্বয়ং মানৱ ৰূপী মৌলীমৰ গৰ্ভত 'ৰুন্তগ' নামলৈ জন্ম ধাৰণ কৰে আৰু পূজা পাতল, জ্ঞান-বুদ্ধিৰ ধাত্ৰী 'ৰুন্তক' দেবী গৃহ লক্ষ্মী ৰূপেও পূজা অৰ্চনা কৰা হয়। সৃষ্টিৰ দ্বিতীয় অধ্যায়ত গেলাও ৰাঙ্গিয়ে



( জলদেৱী ) 'মৌলীম' ( ৰুন্তগ দেবীৰ মাতৃ ) ৰ হাতত অৰ্পিত কৰা পূজা অৰ্চনাৰ স্বৰূপ প্ৰতীক মানৱ মঙ্গল আৰু শুদ্ধ কৰণৰ মাটিৰ পাত্ৰত দিয়া পূৰ্ণ পবিত্ৰ পানী, ছাঁই আৰু কঁপাহ হ'ল কন্তগ দেবীৰ প্ৰতীক ৰূপ। উক্ত অৰ্চনাৰ অন্য এটি ৰূপ—'জগঋষি' ( গৃহদেৱতা )। কন্তগ বা জগঋষি পূজাৰ প্ৰতীক স্বৰূপ কলহ বা মাটিৰ পাত্ৰত ব্যৱহাৰ কৰা পবিত্ৰ পানী, ছাঁই আৰু কঁপাহৰ লগত চাউলৰ ব্যৱহাৰ প্ৰয়োজনীয় দেখা যায়। শুদ্ধতা আৰু পবিত্ৰতা ৰক্ষাৰ বাবেই পানীৰ ব্যৱহাৰ প্ৰতি অৰ্চনাতে অতীৱ প্ৰাধান্যতা মদ কৰিব লগীয়া।

ঐতিহাসিক দৃষ্টি ভঙ্গীৰে লক্ষ্য কৰিলে মানৱ ইতিহাসত সভ্যতাৰ বিকাশ আৰু উন্নতিৰ শ্ৰীবৃদ্ধি বিশাল নদীৰ পাৰবোৰতে দেখা যায়। চীনৰ হোৱাংহো নদীৰ পাৰ, ইজিপ্তৰ নীল নদীৰ পাৰ ভাৰতৰ সিন্ধু উপত্যকাত প্ৰাচীন সভ্যতাৰ নিদৰ্শনবোৰ পোৱা যায়। ভাৰতীয় সংস্কৃতিত নদীক বৈদিক যুগৰ পৰাই মাতৃদেবী ৰূপে পূজিত হৈ আহি আছে।

মানৱ সৃষ্টিৰ ইতিহাস আৰু সংস্কৃতিৰ ধাৰাত পানীৰ মহত্ব আৰু পবিত্ৰতা সঁচাকৈ তাৎপৰ্য্য পূৰ্ণ আৰু মানৱ জীৱন বৃদ্ধিৰ এক অমূল্য ৰত্ন। জলপান, স্নানাদিৰ দ্বাৰা মাত্ৰ স্বাস্থ্য ৰক্ষাত সহায় কৰাৰ কথা নহয় পানী ঔষধৰূপী বিশেষ উপযোগী দ্ৰব্য। পূজা অৰ্চনা, সৃষ্টি ৰক্ষাৰ পবিত্ৰতা আৰু নিৰ্মলতা এই পানী ( চিকা ) নামৰ উপাদান প্ৰকৃতিৰ অন্যতম দান।



OKDISCD

ধাৰাবাহিক জীৱনী :

# বাল্য সন্ন্যাসী হৰিদাস

**মুল ৰচনা : মৎৰাধাকান্ত ব্ৰহ্মচাৰী**
**অনুবাদ : খলিন কোচ।**

[ বিঃ দ্ৰঃ উক্ত শিৰোনামাৰ জীৱনীখনৰ কিয়দাংশ 'বাছান' অলোচনী খনত ধাৰাবাহিক ভাৱে প্ৰকাশ পাই থাকোতেই হঠাৎ অলোচনীখন বন্ধ হৈ যায় আৰু পুৰ্ণাঙ্গ জীৱনীখনৰ প্ৰকাশত ঘতি পৰে। 'তালায় পাৰ'ৰ হিতাকাঙ্খী কেইজনমান ব্যক্তিৰ অনুৰোধত 'বাছান' ৪ৰ্থ সংখ্যা॥ ফেব্ৰুৱাৰী ১৯৮০ সংখ্যাৰ পৰা বাকী আধৰুৱা অংশ খিনি 'তালায় পাৰ'ত নিয়মীয়াকৈ প্ৰকাশ কৰা হব। —সম্পাদক ]

—লৰাটোৰে নিৰ্বিঘ্নে ঘৰত গৈ পালে। সিদিনাৰ পৰা তেওঁ কেতিয়াবা হাঁহে, কেতিয়াবা কান্দে। যেন পগলা হৈ গ'ল, তেনে ধৰণৰ ভাবমূৰ্ত্তি দেখা দিলে। ল'ৰাটোক ভূত-পিশাচ লম্ভিছে বুলি ভাবি দেউতাকে নানান ঠাইৰ পৰা কবিৰাজ আনিলে। কবিৰাজ বিলাকে নানা তন্ত্ৰ-মন্ত্ৰ আৰু জৰা-ফুকা কৰিলে। কিন্তু একো ফল নহ'ল, বৰং দিনক দিনে বলিয়ালি বাঢ়ি যাবলৈ ধৰিলে।

পুৰ্ণ নবৈৰ দিনৰ মূৰত ল'ৰা হৰিদাসে সন্ন্যাসী ৰূপী মহাদেৱৰ পৰা কৃষ্ণ মন্ত্ৰ দৈৱ্য ভাবে লাভ কৰে। দৈব আদেশ মতে তেওঁ অতি যতনেৰে আধ্যাত্মিক কৰ্ম সাধন কৰিবলৈ ধৰে। চাৰি বছৰৰ পিছত তেওঁৰ অদ্ভুত পৰিবৰ্ত্তন হোৱা দেখা যায়। তেওঁ সাধন কৰা ঠাইত ধুনি-হোমকুণ্ড সকলো সময়তে জ্বলি থাকে আৰু হৰিনাম সংকীৰ্ত্তন দিনে ৰাতি চলি থাকে। সেই সময়ত তেওঁৰ অলৌকিক মহাভাবৰ উদয় হয়। সেই খবৰ পাই স্থানীয় বহু জন সাধাৰণ সমবেত হ'বলৈ ধৰে আৰু তেওঁৰ অস্বাভাবিক গুণ দেখি সকলোৱে মুগ্ধ হয়।

বাংলা ১৩৩৪ চনত স্থানীয় ভদ্ৰলোক এজনে তেওঁৰ অলৌকিক ঘটনা-বোৰ "ৰংপুৰ দৰ্পন" নামৰ বাতৰি কাকতত প্ৰকাশ কৰি দিয়ে। সেই বাতৰি পাই নানান ঠাইৰ পৰা বহুলোকৰ সমাৱেশ আৰু অৱগত হয়। সেই সময়ত তেওঁ তাত একাসনতে ৪২ দিন উপবিষ্ট থাকি সবিকল্প সমাধি (ভাব সমাধি) লাভ কৰে। কিছুদিন পিছত মানৱ গুৰু লাভ কৰিবলৈ তেওঁৰ প্ৰেৰণা জাগে। দৈব্য যোগে মন্ত্ৰ লাভ কৰিলে সেই মন্ত্ৰটো মানৱ গুৰুৰ ওচৰত সংশোধন কৰিব লাগে। তেনে নকৰিলে মন্ত্ৰ শুদ্ধ নহয় আৰু সেই মন্ত্ৰৰ দ্বাৰা কোনো কাম সম্পাদন নহয়।

ল'ৰা হৰিদাসে নানা ঠাইত ঘূৰি পকি বহু সাধু সন্ন্যাসীৰ ওচৰত গুৰু ভজিবলৈ আবেদন জনালে ; কিন্তু তেওঁৰ গুৰু হ'বলৈ কোনেও সন্মত ন'হল। তেওঁ ল'ৰা কালৰ পৰা সত্যবাদী আছিল। সাধু-সন্ন্যাসীৰ আগত নিজৰ জন্ম-বৃতান্ত নিসংকোচে প্ৰকাশ কৰি আত্ম পৰিচয় দিছিল। সাধু সকলে তেওঁক যবন জাত বুলি ঘিণ আৰু অবজ্ঞা কৰিছিল। মন্ত্ৰ দিবলৈ বা গুৰু হ'বলৈ কোনেও সন্মতি নিদিলে। নিৰুপায় হৈ মনৰ দুখতে তেওঁ দিনে নিশা শিশুৰ দৰে মা' মা' কৈ কান্দি ঘূৰি ফুৰিব ধৰিলে।

পিছত তেওঁ গুৰুৰ সন্ধানত পদ ব্ৰজে শ্ৰীধাম নবদ্বীপলৈ যাত্ৰা কৰিলে। তাত এগৰাকী উদাৰ হৃদয় বৈষ্ণৱ গুৰুক তেওঁ লগ পালে। তেওঁৰ ওচৰত হৰি দাসে নিজৰ জন্ম বৃতান্ত ব্যক্ত কৰিলে। গুৰু কৰণ আৰু সন্ন্যাস ভেক্ গ্ৰহণ কৰিবলৈ তেওঁলৈ প্ৰাৰ্থনা জনালে। দয়ালু প্ৰাণ বৈষ্ণব চূড়ামণি শ্ৰীশ্ৰী-প্ৰাণকৃষ্ণ গোস্বামীয়ে ল'ৰা হৰি দাসৰ সত্যবাদিতা আৰু পাৰমাৰ্থিক জ্ঞান পূৰ্ণতা দেখি জাতি বিচাৰ নকৰি পৰম সন্তোষেৰে শিষ্যত্ব বৰণ কৰে আৰু বৈষ্ণৱ মতে দীক্ষাদি সন্ন্যাস ভেক্ ( কৌপিন, গেৰুৱা বসন আৰু উপবীত ) প্ৰদান কৰে। হৰিদাসৰ হৰি ভক্তি, গুৰু ভক্তি আৰু তীক্ষ্ণ বুদ্ধিৰ পৰিচয় পাই গোস্বামী মহাশয়ে প্ৰাণভৰি আশীৰ্ব্বাদ কৰে। তেতিয়াৰ পৰা তেওঁ শ্ৰীমৎ ঠাকুৰ হৰি দাস সন্ন্যাসী গুৰু প্ৰদত্ত উপাধি লাভ কৰে আৰু পূৰ্ণ সনাতন ধৰ্মত ( মাধব আচাৰ্য্য সম্প্ৰদায়ত ) বৰণীয় আৰু পূজনীয় হয়।

কিছুদিন নবদ্বীপত বাস কৰি তাৰ পৰা ৰংপুৰ জিলালৈ উলটি আহি





OKDISCD

বাল্য সন্ন্যাসীয়ে নানা ঠাইত ভ্ৰমণ কৰে। সেই সময়ত তেওঁৰ আচৰিত পৰি-ৱৰ্ত্তন আৰু শক্তিৰ পৰিচয় পাই দেৱতা জ্ঞানেৰে বহুলোকে তেওঁৰ শৰণাপন্ন হয়। চিলমাৰি বন্দৰত ভ্ৰমণ কৰোঁতে জনৈক ভদ্ৰলোক যুগল দাসৰ সৈতে সাক্ষাৎ হয়। তেওঁৰ অনুৰোধ ক্ৰমে তেওঁৰ ঘৰতে আসন পাতি সাধন কৰি কিছুদিন থাকিবলৈ লয়। সেই অঞ্চলৰ মানুহ বিলাকে তেওঁৰ অলৌকিক গুণত মুগ্ধ হৈ তেওঁক শ্ৰীগুৰু ৰূপে বৰণ কৰে।

বাংলা ১৩৩৪ চন। যুগল দাস সাহা নামৰ এজন ভদ্ৰলোকৰ সন্তান আদি নোহোৱাত বৈদ্যনাথ ধামত তেওঁ ধন্না দিছিল। তেওঁৰ প্ৰতি বাবা বৈদ্যনাথৰ আদেশ হয় যে,– "তোমাৰ কোনো সন্তান নহ'ব। অৱশ্যে কিছু-দিনৰ পিচত এজন বাল্য সন্ন্যাসীৰ সাক্ষাৎ পাবা। তেওঁক পুত্ৰ ৰূপে গ্ৰহণ কৰিলে তুমি শান্তি লাভ কৰিব পাৰিবা। সচাঁকৈয়ে কিছুদিনৰ পিচত বাল্য সন্ন্যাসী চিলমাৰি বন্দৰত উপস্থিত হয়। যুগল দাস সাহাই বৈদ্যনাথৰ আদেশ অনুযায়ী বাল্য সন্ন্যাসীক পাই নিজকে ধন্য বুলি ভাবে।

বাল্য সন্ন্যাসীয়ে তাত কিছুদিন থাকি বাঁশ পাথাৰী গাওঁত সোমাই ভত্ত এজনৰ ঘৰত যোগ-ধুনি কৰি ৰহে। সেই গাৱৰ তিনিজন দুষ্ট প্ৰকৃতিৰ মুছল-মান লোকে স্বজাতি ল'ৰাটোৰ হিন্দু সনাতন ধৰ্মৰ প্ৰতি থকা ভাবটো নষ্ট কৰিবৰ উদ্দেশ্যে আক্ৰমন কৰে। ল'ৰাটোৱে নিৰুপায় ভাবি ধৰ্ম নষ্ট হোৱাৰ আগতে জীৱন ত্যাগ কৰিবলৈ সংকল্প কৰে আৰু অগ্নিকুণ্ড (ধুনি) ত জপিয়াই পৰে। ল'ৰাটোৰ তেনে ভয়াবহ অৱস্থা চাই সেই দুষ্ট প্ৰকৃতিৰ লোকবো পলাই যায়। ১৫/২০ মিনিট মান সময়লৈকে ল'ৰাটো অচেতন অৱস্থাত অগ্নি কুণ্ডত পৰি থকাৰ পাচত স্থানীয় মানুহবোৰ উঠাই লয়। কিন্তু কি আচৰিত ল'ৰাটোৰ শৰীৰত জুয়ে একো ক্ষতি নকৰে।

ইয়াৰ কিছুদিনৰ পিচত ল'ৰাটোৱে পাবনা জিলাৰ পাৰ্শ্বভাঙা গাওঁ ৺মোহিনী মোহন নন্দীক ( সাহিত্য ৰত্ন ) দ্বিতীয় শিক্ষা গুৰু ৰূপে বৰণ কৰে তাতে তেওঁ গুৰুদেৱৰ ওচৰত কিছুদিন থাকি তেওঁৰ দৈব্য প্ৰাপ্ত বিষয়বো মীমাংসা কৰি লয়। পিচত আকৌ পাবনা জিলাৰ চিতুলীয়া ধামৰ ঠাকু



সত্যলোচনক তৃতীয় শিক্ষাগুৰু ৰূপে বৰণ কৰে। কিছুদিন গুৰু গৃহত বাস কৰাৰ পিচত চিলমাৰীলৈ প্ৰত্যাবৰ্ত্তন কৰে।

চিলমাৰীত থাকোঁতে এদিন তপোজ্জল মিঞা নামৰ এজন মুছলমান লোকে তেওঁক বন্দুকেৰে গুলিয়াব খুজিছিল। ল'ৰাটোৱে মৃত্যুক ভয় নকৰি শত্ৰুৰ আগত বুকু পাতি থিয় দিছিল। কিন্তু বৰ আচৰিত কথা, শত্ৰুজনৰ হাত দুখন হঠাতে শিথিল হৈ গৈছিল আৰু বন্দুকটো তেওঁৰ হাতৰ পৰা মাটিত পৰি গ'ল। সেই মুহুৰ্ত্তত সেই নিষ্ঠুৰ মানুহ জন নিজৰ বুকুতে অসহ্য বেদনা অনুভৱ কৰিছিল। ল'ৰাটোৰ ঐশ্বৰিত শক্তিৰ পৰিচয় পাই মানুহ জনে তেওঁৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰে। লগতে নিজৰ কৃতকৰ্মৰ প্ৰায়শ্চিত্ত স্বৰূপ নগদ ৫/- ( পাঁচ ) টকা আৰু ১ তোলা গাজা প্ৰদান কৰে।

স্বজাতীয় শত্ৰুবোৰে তেওঁৰ ওপৰত অনেক অত্যাচাৰ উৎপীড়ন কৰি-ছিল। অনেকি তেওঁৰ জন্মদাতা পিতাকেও অমানুষিক অত্যাচাৰ কৰিবলৈ কুণ্ঠিত হোৱা নাছিল। এদিন তেওঁৰ পিতাকে খঙেৰে তেওঁক ঘৰত লৈ আহি সাধুৰ বেশ ভূষণবোৰ জোৰ কৰি কাঢ়ি পেলালে। এখন খাটৰ ঠেঙৰ সৈতে ল'ৰাটোৰ দুহাত, দুইভৰি শকত আৰু টান ৰচীৰে বান্ধি ৰাখিলে। তেওঁ যাতে পলাই যাব নোৱাৰে তাৰ বাবে ৩/৪ জন মান লোকক ওৰে ৰাতি সেই ঘৰত পহৰা দিবলৈ নিযুক্ত কৰিলে। প্ৰহৰীবোৰে টোপনিত লাল কাল দি পৰিছিল। মহামায়াৰ অমোঘ শক্তিৰ বলত ল'ৰাটোৰ হাত-ভৰিৰ বান্ধোন খোল খাই যায় আৰু সেই আন্ধাৰ কোঠালীটোৰ পৰা ল'ৰাটোৱে বাজ হৈ ওলায়। প্ৰহৰীবোৰে একো উমঘাম নাপালে।

সেই গভীৰ নিশাৰ ভিতৰতে যাত্ৰা কৰি পিচদিনা তেওঁ পাবনা জিলাৰ গুৰুদেৱ ৺মোহিনী মোহন নন্দীৰ কাষ পালেগৈ আৰু শ্ৰীগুৰুদেৱৰ আগত আদ্যপান্ত ঘটনা বিবৰি ক'লে। ৰংপুৰ জিলাৰ চিলমাৰীৰ পৰা পাবনা জিলা বহুদূৰ বাট। কিন্তু কি আচৰিত, ল'ৰাটো কি জানো ভাবি সেই দীঘলীয়া বাট অতিক্ৰম কৰি পাবনা জিলাৰ গুৰু গৃহত উপস্থিত হ'লগৈ। সেই বাট অতিক্ৰম কৰোঁতে বিশাল ব্ৰহ্মপুত্ৰ নদ খন পাৰ হব লাগে। গুৰুদেৱে ল'ৰা-



OKDISCD

টোৰ এনে ঐশ্বৰিক ক্ষমতা দেখি বৰ অদ্ভুত হ'ল। ইয়াৰ সত্যাসত্য প্ৰমাণৰ বাবে গুৰুদেৱে তেওঁৰ পিতৃৰ ওচৰলৈ টেলিগ্ৰাম কৰিলে আৰু যথাৰ্থ ঘটনা সত্য বুলি জানিব পাৰিলে।

শ্ৰীগুৰু গৃহ চিতুলীয়া ধামত কিছুদিন থাকি বাংলা ১৩৩৪ চনত তেওঁ বৃন্দাবন ধামলৈ যায়। তাত কেইমাহমান থাকি নিজ ঠাইলৈ উভটি আহে। তাৰ পিচত অসমৰ তেজপুৰৰ মহাভৈৰৱৰ স্থান আৰু কামৰূপ কামাখ্যা পীঠ স্থান ইত্যাদি নানা ঠাই ঘুৰি ফুৰি আকৌ বৃন্দাবন ধামলৈ যায়। তাত এবছৰলৈকে গোবিন্দজীৰ মন্দিৰত সখি ৰূপে শ্ৰীকৃষ্ণৰ উপাসনা কৰে আৰু স্বয়ং শ্ৰীকৃষ্ণৰ দিব্য দৰ্শন লাভ কৰে।

ক্ৰমশঃ





সুকীয়া দোৱান
"কোচ"

# পাৰ বুজুম

অন্নানাথ কোচ

( ১ )

ফাগুন মাসেনি পছিলামপাৰ
গুণ গুণ গুণ চায় লুমি
ফুইয়া পলক পলক।
পিছাক্ পিছাক ফিটা কানি
ঝাপ বাৰিনী পাৰ বুজুম
চাইয়া জলক জলক॥
পাৰ ৰঙনি গন্ধ মানি
হাজাৰ বিজাৰ টাউনি চায়ে
মনা থৰক ৰৰক।
আটানা তিনি মাহুঙ নানি
লাম্‌চাঙবো মন আয়নায়
ফুইয়া পলক পলক॥
পছিলামপাৰ তাফুই নাঙ
পাৰ বুজুম তা চাই নাঙ
আনা পলক পলক।
পেলেম মানলি কৰো বাকনা
মানচা দঙটো আঙ তিনি
মনা থৰক ৰৰক॥
ফুইনি বছৰ পছিলামপাৰ



OKDISCD

পাৰ বুজুমনা পেলেম মানি
ৰেক থৰক বৰক।
জমাঙ জাউৰি মুকনি জুনা
ঐ দিনাছে মুকনা কাননি
নাকুঙে নলক॥

( ২ )

ফু ইজক আষাঢ় মাস
লামপাৰামুঙ গেলি গেলি
ভুকুমে পাৰ কানি কানি
বছাকটো হাজাৰ মাস।
দিন পিৰায়ে পেনেক আবৰঙ
টাকুপাকু মাদল তামা
বছাক বছাক বাকি তোৱা
হাজাৰ বিজাৰ মাস।
ৰাং লামপাৰ লায়িমুঙ তিনি
ফু ইজক আষাঢ় মাস।
মাঝি-ঝৰায় কাকা নাঙ
না লাউৰি টঙ.
চহয় লাইমুঙ আঙবো লিনা
আনা ছামি টঙ।
মনে মনে মাসমুঙ নিঙ
বছাকিমুঙ লিনা ;
মনেনি কৰো ৰিঙা নিনি
হাজাৰ বিজাৰ মাস।
পাঙতো নিনা বায়ৰাঙ তিনি
আমতী আষাঢ় মাস॥



( ৩ )

আন্ধাৰ ছিম্ ছিম্ ফাৰোকে
জাছেঙ হাৰি নাঙবেক্ নাঙ
ভেদা পাৰনা পাও।
বিলেনি আঙ হাদেল টিকা
চিচি টঙনা মুকনাঙবো মুক্চা
হাওচা নাওনা বাৱ॥
পেলেম মানি নাৰঙ যিবিলা
চায় লুমনা ফু চ-ফাচ ফু চ-ফাচ
লামপাৰা হাওনা বাৱ।
ছল-ছল, ছল-ছল উবিলাছে
বিলেনি টিকা আঙ বছাকনা
হাওনা পেলেম বাৱ॥
হাপাকেনি আনি ভেদা পাৰ
ছান মাজিয়ে চাইয়া জমাঙ
বাকচা কোনো বাৱ।
ফাৰ ফাৰোকে নাঙৰেক্ নাঙ
গাছাৰায় হাওনা আনি ভেদানা
বাৰে বাৰে পাও॥

---



OKDISCD

## চায়

পল্টন কোচ

অ' আম্নুং চ' আমুং চ' আমুং
ই ঘাটে, উ ঘাটে, খেংকা কংকা লামদৰে.
পেলেম হেচা গপ মাৰায় মুং।
অ' আম্নুং নাংদংত্রা পান গাত্তা
আং দংনা লেৰা,
নানি দালে টমনা-টমনিয়ে
পেচায় পেচায় তংনা।
নাংদংত্রা তিকা গাং
সাত্রাই মুং তংনা আং
নানি গাঙে তিকা সাত্রাই মুং তংনা মুং।

---

## আং নানা পেলেম মানা

উর্মিলা দুছা কোচ

নাং ত্তো ৰিংচা,
আং যে
নানা পেলেম মানা।
নাং এত্তো পেলেম!



নানা মুক্‌নাং
চাই তংনান মুন!!
নানি ৰূপ, নানি গুন,
মানি তুলনা মাকা।
মৰদ ৰং বাকা,
"প্রেম স্বর্গীয় দান।"
তিকা ঝৰা গৰাই লিতো আপিনি মনে;
পেলেম মান্নি, প্রেম আনি
তংনা আনি অন্তৰে,
মানি জনে চিৰতৰে।
কিন্তু নাং তো ৰিংচা,
আং যে নানা পেলেম মানা।

---

## পিদান লাম

হৰিন কোচ

তুটি মাত্তা পুৰশি তিৰি
    নাঃয়াং গৎছে দংনা,
কাণ্টালাম বাক্কায়খে
    পিদান লাম লাওনা।—
ফায় জানাও ফায় ফজং
    দংহা সময় তাকিৰিতং



OKDISCD

পিদান যুগনি পিদান মন্বত পিদান কৰও বাৰনা।
তংখেন পেংনি ফায়খেন তুঃখু
    কিম্বা নাঃয়াং লাংনা
গৎছে গৎছে দেকে নাঃয়াং
    বেক্ পেংনী দাফাক্ না।
বস্তা দংখে তংমা নূখে
    চায়না তায়কঃ নক্ দণ্ডাখে
বিট্টিং দেকে দঙৌ মৰত নাঃমন কৰও শিকায় না॥

---

ক্ক
চ'
চায়

ভুজেন বোচ

আৰ' তাহেপ্ ঝাৰ
নাঙৰেট্ ৰাছান তংটো আজাছে
তাওতো আন্ধাৰ ফাৰ।
নাঙেন আনি সোনা-ৰূপা
নাঙেন কৰ' ভান্ধাৰ॥
ফাৰকে তিলুপা নাঙৰেট্-ৰামফুট
ছানকে তিলুপা ৰাছান,



ছাউৰিয়া মাউৰিয়া ছানি মাকা
আং যে আপাছান। —
ফুলমতী কালো ঘাটে পাৰা তালায় পাৰ
আজালায় ৰুম্বাই কেজালায় তাটং
দাম্বুক লা পালেম পাৰ।
মানি ৰূপে ফুলমতী ঘাট
জলা ভৰ দৰা গাং
পেলেং মানি মন হাপা হাৰি মুন্
জৰ্কি ভালি নাং ;
দিন আন্ধাৰ চাহায় ঝাক্কাং
ফুইনা লামট' ৰাং লাম্পাৰ
মনে জা বাকুনা লাগিনি
ৰাক্কি লি একবাৰ॥

---

সুকীথা দোৱান
"হাজং"

## কথা হু'বীন তোলা লগন

কানুৰাম হাজং

কথা হু'বীন তোলা লগন
    আপাক লগ পাব ময় ;
আশ্বিন মাসলা জোছনানি
    (খালি) শিঙাহৰ ফুটিলে হয়।



OKDISCD

শিঙাহৰ ফুটিলে তাৰা ধকন
তয়হু আহি লগ হব ;
তোক' মোক' দুইজনে এক লগন
ঐ দিনা কত' ৰাও কব।
তোলা আশাতেই আজিকা ময়
কত' বাসনেয়া ৰ'ছে ;
কত' দিনা যালে তাও নাহিলে
কিজানি ! তোলা কি হ'ছে !
কত' আশ্বিনলা বেলা বাৰ হ'য়া
পছিম্‌মি ডুবিয়া যায় ;
সন্ধ্যা হলেই শিঙাহৰো ফুটে
হাগ্রিং-হাগ্রিংয়া হেবায়।
আকাশনি তাৰাগিলা বাৰ হয়
চান্দুলা আশাতে বাসনেয়া ;
তাৰাগে কোৱা কথা ৰাখিবাক
চান্দ আহে বাৰ হ'য়া।
তাৰাগিলাক লগ হয় চান্দ
ধলা ফট্‌ফটা জোছনানি ;
চান্দদা খেলায় কত' ৰং খেলা
তাৰা লগন আব্‌লা বননি।
বৃন্দাবনমি শ্যাম্‌ কানাই ধকন
চান্দ 'তাৰা-গোপীনী' লগন ;
উন্দ্রিয়া-উন্দ্রিয়া আব্‌লা বনমি
ৰঙে-ৰসে বিভোৰ মগন।
কথা হ'বান তোলা লগন
তয়হু আহিব হেধায় ;



শিঙাহৰ ফুটা আশ্বিন মাসলা
পূৰ্ণিমা ৰাতিমি একলায়।

---

## সাৰ্থক

**স্বৰ্ণৰ হাজং**

সিংলাই পাতত
ফুল কুলি
কিজানি ফুটি
আছে আশা পালি,

তপস্যা কৰি যিংকা
প্ৰেমিক ভমৰা
পাছে শেষত
নিজ প্ৰেমিকা বুলি।

ফুল কলিটাও
খুব আদৰে
নিঃস্বাৰ্থ কৰিবা
নিলে কল কৰি,

কি যি ঘটিল ওলা
আপনা ইচ্ছাৰে
প্ৰেমশিকল ছিঙি
যাল উৰি।



OKDISCD

কিন্তু হে ভমৰা
কৰিলে সাৰ্থক
গোপনে গোপনে
অনন্ত ফুলজাৰিলী

নিঃস্বাৰ্থ কৰিলেও
পৰহিত হয়
নালাগে ভাবিবী
গোটা পৃথিবীলী !

———

## জলাঞ্জলি

( গল্প )

**শ্ৰীজগদীশ পাটগিৰী**

এজনী ছোৱালী। গাভৰু। জীৱনৰ প্ৰতিটো খোজতেই ঠেকা খাই খাই ডাঙৰ হোৱা এজন সাধাৰণ কৰ্মচাৰী পিতৃৰ বাধ্য সন্তান। মধ্যবিত্ত পৰিয়ালৰ জীৱন যাত্ৰা তেনেই সহজ সৰল। একেই সহজ সৰল তাইৰ অন্তৰ দিশ। তাইবেই নাম "অৰুণা"। অৰুণা দেৱী। চমুকৈ "অৰু"।

পৰিয়ালৰ পাঁচজনীকৈ ছোৱালী তথা ৰুগ্না সহ-ধৰ্ম্মিনীঃ ভৰন পোষন দিয়াৰ চিন্তাত পৰমানন্দ জৰ্জৰিত হৈ পৰিছিল। চুলি পকিল। দাঁত সৰিল। অভাৱ মানুহৰ চিৰ লগৰী। ই চিৰন্তন নীতি। এনে এখন ঘৰৰ বাবে যেচেৰা পৰমানন্দইনো অভাৱৰ মুখ কিমান মাৰিব। কোন ফালে ভেটা দিব। ভেটা দিয়াৰেই বা সমল ক'তা ?



এই অভাৱ গ্ৰস্ত পৰিয়ালটিত মাত্ৰ এটি বস্তুৰেই যি অভাৱ নাছিল। সেয়া হ'ল, ডাঙৰ ছোৱালী অৰুণাৰ ৰূপ, সৌন্দৰ্য্য। তাই আছিল অপৰূপা। ৰূপত অনন্যা। যেন সুন্দ-উপসুন্দক বিনাশ কৰিবলৈ শত-সহস্ৰ অপেস্বৰীৰ পৰা ৰূপ সৌন্দৰ্য্য কাঢ়ি আনি আনি বিশ্বকৰ্মাই সৃষ্টি কৰা সৰগৰ তিলোত্তমা। ৰূপৰ তুলনা নাই। সৌন্দৰ্য্যৰ ব্যাখ্যা নাই।

কিন্তু এনেহেন এখন পৰিয়ালৰ বাবে অৰুণাৰ ৰূপৰেই বা কি দাম আছে। ৰূপ মানুহক লাগে। মানুহ সুন্দৰৰ পূজাৰী। সেই সৌন্দৰ্য্য মানুহৰ দেহতো প্ৰয়োজন। কিন্তু যি বস্তুৰেই পৰিসীমা অতিক্ৰমি যায়, হৰিণাৰ মাংসই বৈৰী হোৱাৰ দৰে তাৰ পৰা বিপদৰহে সঞ্চাৰ হোৱাৰ আশঙ্কা থাকে। যি দৰে হৈছিল এটি তুটিকৈ অৰুণাৰ জীৱনতো। হৈছিল নহয়, ঘটিছিলেই। যাৰ কৈফিয়ৎ হয়তো পিচলৈ খুব ভয়াবহ হ'লগৈ। জীৱনত বাঁচি থকাৰ ভয়াবহতাই নামি আহিল অৰুণা দেৱীৰ জীৱনলৈ বৰষাৰ আকাশত ক'লা জৰৰ নমাৰ দৰে।

যেনেদৰে অৰুণা ৰূপ লাৱণ্যৰ একমাত্ৰ গৰাকী আছিল, তেনেদৰে মেধাবীও আছিল। স্কুল-কলেজৰ প্ৰতিটো বছৰতেই সুখ্যাতিৰে পাৰহৈ যোৱাৰ পৰিশেষত কলেজৰ শেষ দেওনা খনো বেচ সুনামেৰে ডিচ্‌টিংশ্বন্‌ লৈ ওলাই আহিল। উচ্চ শিক্ষালৈ মন মেলিলে। বিশ্ব বিত্যালয়ত আৰু দুটা বছৰ কিবাকে হলেও পঢ়াৰ তাইৰ দূৰ্বাৰ হেঁপাহ হ'ল। এদিন সেয়ে দেউতাকক কথাটো কলে। দেউতাকৰ পৰা সিমান সুখ জনক প্ৰত্যুত্তৰ তাই নাপালে। দীঘল হুমুনিয়াহেৰে যেতিয়া কথাৰ মোখনি মাৰিছিল দেউতাকে তেতিয়া অৰুণাই দেউতাকৰ মনৰ কথা বুজি পাইছিল। সেয়ে তাইৰ মনৰ আশা মনতে খুপাই থৈ পৰিয়ালৰ চাৰিও দিশে দৃষ্টি পেলালে। তাইৰ চাৰি গৰাকী ভনী। এতিয়াও স্কুল কলেজতে পঢ়া খৰচ, কাপোৰ কানি, পিন্ধা উৰাৰ খৰচ, খোৱা লোৱাৰ খৰচ, ষ্টেৰাউৰ কথা ভবাই নহওক বাৰু, তথাপি কিমান খৰচৰ কথা আছে। ইপিনে পাতিত ৰুগীয়া মাক। ষাটি দশক পাৰ হোৱা বৃদ্ধ দেউতাকৰেইবা আৰু কিমান বছৰলৈ চাকৰি আছে। সেনেকা মন আৰু দেহলৈ বাধ্য বাধকতাৰ মাজত



OKDISCD

বন্দিনী হৈ অৰুনাই ভাবিবলৈ বাধ্যহৈ পৰিছিল এটি চাকৰিৰ কথা। পৰিয়ালৰ একমাত্ৰ নিৰ্ভৰশীল বৃদ্ধ দেউতাকক অব্যাহতি দিব লাগে। জীৱন যুঁজৰ শালীনতা। পৰিয়ালত নতুনৰ আৱশ্যকতা আজি আহি পৰিছে। অন্ততঃ উজ্বল ভৱিষ্যতৰ সোপান লৈ অহা তাইৰ চাৰি ভনীয়েক, পিতৃ মাতৃক নীৰৱে উৰলি যাব দিব নোৱাৰে। এটি পুৰনি ঘৰ উৰলি গলে চাই থকা সহজ, কিন্তু এখন পৰিয়ালক তেনেদৰে চাই ৰহি থাকিব নোৱাৰি।

এদিন অৰুণা চাৰিবেৰৰ বাজ হ'ল। চাকৰিত সোমাল অতি কম দিনৰ ভিতৰতে তাই ঘৰ খনৰ দৰে অফিচতো আপোন হৈ পৰিল। অৰুণা দেৱী ডেকা কৰ্মচাৰী বোৰৰ বাবে সুখৰ এক কাৰণ হৈ পৰিল। দুই এজনে বেচ ঠাট্টা ধেমালীৰে কথা কবলৈ আৰম্ভ কৰিলে। তাইৰো পোনতে খুব ভালেই লাগিছিল অফিচখন। ইমান ভাল মানুহবোৰ। হাঁহি ধেমালীৰে থাকে, আপোন ভোলাহৈ কাম কৰে। নজনা কথা শিকাই দিয়াত কাৰো ত্ৰুটি নাই। কিন্তু কিমান দিন? অৰুণাই যেতিয়া বুজিলে যে সেই পৰিবেশ আচলতে তাইক কেন্দ্ৰ কৰিয়েই উৎপত্তি হৈছে, যেতিয়া দুই এজনৰ চকুৰ বেয়া ইঙ্গিত পালে, তেতিয়া গম পালে যে মানুহবোৰ সিমান সৎ প্ৰকৃতিৰ নহয়! নহলেনো তাইক বিনা পইচাত টিফিন্ খুৱাব বিচাৰেনে, ফুৰিবলৈ, চিনেমালৈ যাবলৈ কয়নে? আনকি অফিচৰ বৰবাবু শিৱ শঙ্কৰ দাসগুপ্তও ইয়াৰ পৰা বাদ নপৰিল। বিবাহিত দাসগুপ্তও যে তাইৰ প্ৰতি আসক্ত হৈছে অৰুনাই ধৰিব পাৰিছিল। কিয়নো তেওঁৰ গাড়ী আছে বুলিয়েই প্ৰায় তাইক অফিচলৈ আহোতে ৰিচিভ কৰা, যাওঁতে ড্ৰপ্ কৰাৰ কথা কৈছিল। সময় পালেই বিনা কাৰণত কামৰ অজুহাত দেখুৱাই তেওঁৰ আঁচুতীয়া ৰূমলৈ মাতি নি গল্প কৰাৰ ভান ধৰিছিল। তাই বুজিছিল এই সকলো তাইৰ গতে থকা ৰূপ সৌন্দৰ্য্যই একমাত্ৰ কাৰন। লাহে লাহে অফিচখন এক বিতৃষ্ণাৰ বস্তু হৈ পৰিল। অফিচলৈ আহিবলৈ ললেই ৰণ থলীলৈ অহা যেন লগা হ'ল। চাকৰিটো পাই যিমান সুখী হৈছিল অৰুণাই, সিমান সোনকালেই তিতা কেঁহা লগা হ'ল। অতীষ্ঠা হৈ পৰিছিল বাৰুকৈয়ে।



কিন্তু তাৰ মাজতো এটি অতি ভাল লগা বস্তু আছিল অৰুণাৰ। সেয়া আছিল তাইৰ সম্পুৰ্ণ ব্যক্তিগত বস্তু। বস্তুটো হ'ল পলাশ। পলাশ বৰকটকী। এক ব্যতিক্ৰম ব্যক্তিত্ব। ভাল লাগিছিল অজানিতে অৰুণাৰ। পলাশৰো। বেঙ্কত অফিচাৰ হলেও বেচ নম্ৰ, ভদ্ৰ, অমায়িক। সকলোকে সমান চকুৰে চাব পৰা পলাশে সহকাৰী কৰ্মচাৰী বুলি অৰুণাৰ প্ৰতি কোনো দিনে বেয়া ভাব পোষণ কৰা নাছিল। মুগ্ধ হ'ল দুয়ো দুয়োৰে। প্ৰথমে লাজ, পিচত প্ৰকাশ। মনৰ কথা দুয়োৰে গোপনে প্ৰকাশ হ'ল। এদিন অৰুণাই পলাশক লৈ গ'ল ঘৰলৈ। মাক দেউতাক তথা ভনীয়েক হঁতৰ সৈতে চিনাকীও কৰি দিলে। দিন বাগৰাৰ লগে লগে দুয়োজনৰে খাতিৰত মাক দেউতাকে বিয়াৰ সম্মতি দিলে। কিন্তু সোনকালে নহয়, দেৰীকৈ। কাৰণ ইহঁতো খুটি খাব পৰা হব লাগিব। বাপেক অৱসৰ হোৱাৰ সময় হৈছে।

এদিনৰ ঘটনাই অৰুণাক বৰকৈ মনত আঘাট দিলে। দিনটো আছিল সোমবাৰ। অৱশ্যে তেনে পৰিবেশ এটাৰ সন্মুখীন হব লাগিব বুলি জনা থাকিলে তাই নিশ্চয় অফিচ এটেণ্ড্ নকৰিলেহেঁতেন।

শিৱ শঙ্কৰ দাসগুপ্ত, বৰবাবুৱে ট্ৰেন্সফাৰৰ অৰ্ডাৰ পালে। তেওঁ কলিকতাৰ মানুহ, তাতে কলিকতালৈ ট্ৰেন্সফাৰ পাইছে। গতিকে তাতকৈ সুখৰ কাৰণ আৰু কি হব পাৰে। অফিচ ছুটিৰ পিচত নিঃসন্দেহে পাৰ্টি চলিল। অনিচ্ছা স্বত্বেও অৰুণা ৰব লগীয়া হ'ল। ঘৰ পাওঁতে দেৰী হব বুলি অজুহাত দেখাই আপত্তি কৰিছিল যদিও টেঙৰ দাসগুপ্তই কলে-"আমি তোমাকে 'ড্ৰপ' কৰে আসবো, চিন্তা কিসেৰ। প্লিজ্ কাম'ন।" পাৰ্টিৰ শেষ আইটেম্ আছিল বিলাতী পানীয়, মানে ৱাইন-দাসগুপ্তৰ ভাষাত। অৰুণাক বাৰে বাৰে খাবলৈ অফাৰ কৰিলে--"প্লিজ্ ক্যেৰী অন্, ইউ ক্যেন্ টেক্ ইট্ লিট্‌ল্ টু ওৱজাৰ্ভ আৱাৰ্ ফ্ৰেণ্ডচিপ্. তুমি খাব পাৰা। নো প্ৰব্লেম্।" অৰুণা কোনো পধ্যেই মান্তি নহ'ল। কিন্তু এটা কথাত মান্তি হবলৈ বাধ্য হ'ল অৰুণা। যদি সেই দিনা পলাশ টুৰ'ত যাব লগীয়া নহলহেঁতেন, তেনেহলে তাইক দাসগুপ্তই গাড়ীৰে ড্ৰপ কৰাৰ সুযোগো নাপালেহেঁতেন। পদূলি মুখত গাড়ীৰ শব্দ শুনি



OKDISCD

বিচনাৰ পৰা মাকে অৰুণাৰ ঠিক তলৰ ভনীয়েক জোনাক কোন আহিছে চাবলৈ নিৰ্দ্দেশ দিলে। জোনাই মাকক কলেহি যে—"সেই বঙালী অফিচাৰ জনে বাইদেউক দেৰী হোৱা বাবে হেনো থৈ গ'লহি।" কথাষাৰ শুনি মাক শিল পৰা কপৌৰ দৰে হ'ল। মাকৰ কল্পনাৰ পৰিসীমা দূৰ দিগন্তলৈ বিয়পি পৰিল। এই সন্ধিয়া অফিচ ছুটিৰ পিচত গাড়ীৰে তেনেহলে—মাকে আৰু ভাবিব নোৱাৰা হৈ পৰে। শোকে বুকুত খুন্দা মাৰি ধৰিলে। অৰুণা তেনে-হলে পৰিয়ালৰ দূৰ্বলতাৰ সুযোগ লৈ বহু তললৈ গৈছে।

হাতভৰি ধুই অৰুণাই নিয়মিত কৰাৰ দৰে সিদিনাও মাকৰ ঔষধখিনি গিলাচত সজাই মাকৰ ওচৰ পালে।

—"মা, কেনে পাইছা? এয়া লোৱা, ঔষধখিনি খোৱা। চাওঁ, অকনমান উঠাচোন মা।" অৰুণাই কোৱা কথাবোৰ আৰু বেছি সহ্য কৰিব নোৱাৰি-তাইৰ হাতৰ পৰা মাকে গিলাচটো দলিয়াই দিলে। অদূৰত গিলাচটো ভাঙি চূৰমাৰ হৈ গ'ল। বজ্ৰ পৰা মানুহৰ দৰে স্তম্ভিত হ'ল অৰুণা। ইমান ডাঙৰ হ'ল-আজিলৈ মাকৰ এনে ব্যৱহাৰ পোৱা তাইৰ মুঠেও মনত নপৰে।

— "তোৰ ইমান অধঃপতন দেখাৰ আগতে মই মৰি যোৱাও ভাল আছিল।" মাকৰ কথাৰ অৰ্থ সম্পুৰ্ণ বুজিব পাৰিছিল অৰুণাই। বেছি শুনাৰ ধৈৰ্য্য আৰু ন'হল। নিজৰ বিচনালৈ গৈ পাৰে মানে কান্দিলে। নিজৰ কানক বিশ্বাস কৰিব নোৱাৰা মাতৃৰ উক্তি কোন সন্তানে সহ্য কৰিব পাৰে?

মানৰ জীৱনটোৱেই এনেকুৱা। জীৱনলৈ বিপৰ্য্যয়, জীয়াই থকাৰ শঙ্কা এনেকৈয়ে আছে। কোনোৱে হয়তো পাপৰ প্ৰায়শ্চিত্তও ভোগে, কোনোৱে হয়তো কিবা দোষৰ কলঙ্কও ভোগে। কিন্তু তাক সুবিচাৰ কৰি চায় কিমানে? এই জীৱন মঞ্চত কাৰোবাৰ দেখাৰ ভুল হয়, শুনাৰ ভুল হয়, আৰু কাৰোবাৰ হয়তো বুজাত ভুল হয়।

পৰমানন্দৰ পৰিয়াললৈ পুনৰ নামি আহিল অন্ধকাৰ। বিচাৰিলে সুখৰ অবধি পোৱা নাযায়। ই সদায় নতুনৰ সন্ধানহে দিয়ে। সেই শনিবাৰৰ দিন-টোত প্ৰায় একেটা সময়তেই এটাৰ পিচত এটাকৈ ছুটা চৰম বিপৰ্য্যয় নামি আহিছিল।



নিৰ্দ্দিষ্ট সময়তকৈ কিছু দেৰীকৈ আহি পৰমানন্দই ধলং ধপংকৈ নিৰ্দ্দিষ্ট হাত ভঙা চকীখনত দেহটো এৰি দিলে। দেউতাকৰ শেঁতা পৰা মুখখন দেখি আৰু পৰিস্থিতি কিছু গম্ভীৰ যেন ভাবি ভয়ে ভয়ে জোনাই সুধিলে— "দেউতা, গা ভাল নহয় নেকি?"

—"গা ঠিকেই আছে, মনহে বেয়া। চাওঁ, পানী এগিলাচকে দে।" লৰালৰিকৈ জোনাই পানী এগিলাচলৈ দেউতাকৰ ওচৰত হাজিৰ হ'ল।

—"মন কিয় বেয়া দেউতা, অফিচত কিবা হ'ল নেকি?" জোনাই ঔৎ-সুক্য মনক বাধা দিব নোৱাৰি প্ৰশ্ন কৰিলে। পৰমানন্দই জোনাৰ প্ৰশ্নৰ উত্তৰ নিদি সুধিলে—"মাৰ ক'ত?"

—"মা বিচানাতে আছে।" পৰমানন্দ লাহে লাহে উঠিগৈ ৰুগ্না স্ত্ৰীৰ কাষ পালেগৈ আৰু চাকৰিৰ অৱসৰৰ কথা কলে। জোনাৰ মতে আৰু তিনিও জনী ভনীয়েকে কথাটো শুনি নীৰৱে উচুপিলে। মাক কিন্তু বিচলিত ন'হল। মাকে দেউতাকক কোৱা--"ভালেই হ'ল, আজিৰ পৰা আপোনাৰ দেহাটোৱে কিছু আৰাম পাব" কথাষাৰ আটাইয়ে শুনিছিল।

তাৰ ক্ষন্তেক পিচতেই অৰুণাও অফিচৰ পৰা আহি সন্মূখত উপস্থিত হ'ল। পৰিস্থিতিৰ একো উমঘাম নিবিচাৰি মাকক কলে—'মা মই চাকৰি বিজাইন দি আহিছোঁ। লগে লগে দুখ বেদনা ক্লেশেৰে আৱিষ্ট সৰু কোঠা-টোত ক্ৰন্দনৰ ৰোল উঠিল। তীব্ৰৰ পৰা তীব্ৰতৰলৈ।

দুখ-বেদনাই একো একোটা পৰিয়ালক নিঃশেষ কৰি দিব পাৰে। মষি-মূৰ কৰি দিব পাৰে। হাতেৰে লিখি ৰচনা কৰা এটি গল্প আৰু এটি বাস্তৱ জীৱনৰ মাজত বহুত তফাৎ। বাস্তৱ জীৱনত আবৃত্তি নাই, বহণ নাই। অৱশ্যে কিবা এটা কৰাৰ পৰিকল্পনা থাকে।

সেই পৰিকল্পনাকে লৈ এদিন অৰুণাই গাত এচিড ঢালিলে। পৰিয়ালৰ বাবে শৰীৰত থকা এটি অনাৱশ্যক সম্বলক জলাঞ্জলি দিবলৈ অৰুণাই পৰি-কল্পনা কৰিলে। অৰুণা কুৰূপা হ'ল। চিকিৎসাৰ বাবে দৌ'ৰি আহিল পলাশ বৰকাটকী। ভৰ্ত্তি কৰিলে "মাথুৰ ক্লিনিক এণ্ড নাৰ্চিং হোম"ত। যেতিয়া



OKDISCD

জ্ঞান ঘূৰাই পাইছিল, তেতিয়া পলাশে সুধিলে—"এয়া তুমি কি কৰিলা অৰু। মোৰ কথা তুমি এবাৰো নাভাবিলা কিয় ? আত্মহত্যা কৰা মহাপাপ। আৰু তুমি তাকেই কৰিবলৈ ওলাইছিলা।"

—"মই আত্মহত্যা কৰিবলৈ ওলোৱা নাছিলো পলাশ কেৱল হত্যাহে কৰিবলৈ বিচাৰিছিলো!"

'নিজকে হত্যা কৰিবলৈ বিচৰা মানেইতো আত্মহত্যা।"

—"মই নিজকে হত্যা কৰিব বিচৰা নাই, মোৰ সৌন্দৰ্য্য খিনিকহে হত্যা কৰিব বিচাৰিছিলো। নাজানো কিমান যন্ত্ৰণা সহিছো। সুস্থ হলেহে কব পাৰিম। তুমি দুখ নকৰিবা পলাশ। মোৰ এই ৰূপ সৌন্দৰ্য্যৰ বাবেই তুমি মোক ভাল পোৱা হয়তো।"

—"অৰু। তুমি এইবোৰ কি কৈছা ? মই তোমাৰ নৈতিকতাক বিচাৰোঁ। তাৰমানে তুমি মোৰ পৰা আঁতৰি যাব বিচাৰিয়ে এইবোৰ কৰিলা!" পলাশ অস্থিৰ হৈ পৰিছিল।

—"নহয় পলাশ। সেয়া নহয়। মই মোৰ গাত থকা সৌন্দৰ্য্যৰ বাবে জীৱনত বহুত অপমান, কটুকথা শুনিব লগীয়া হ'ল। আনকি মোৰ নিজৰ মাৰ পৰাও। চাকৰি বিজাইন দিয়াও সেই একোটাই কাৰণ। এতিয়া হয়তো মই সেই অপমান ধুই নিকা কৰি পুনৰ নতুন জীৱন আৰম্ভ কৰিব পাৰিম। ৰূপ-সৌন্দৰ্য্যক অস্বীকাৰ কৰা একো ডাঙৰ কথা নহয়। কিন্তু অভাৱ গ্ৰস্ত পৰিয়ালটোক, বৃদ্ধ দেউতা, ৰুগ্না মাক আৰু চাৰিজনী ভনীক মই অস্বীকাৰ কৰিব নোৱাৰোঁ। সিহঁত বাঁচি থাকিব লাগিব। বাঁচি থাকিব লাগিব এক-মাত্ৰ মোকেই উপলক্ষ্য কৰি। কাৰণ ময়ো পৰিয়ালৰ এজন। যাৰ হাতত বৰ্ত্তমান আছে পৰিয়ালৰ অভাৱৰ নিষ্ঠুৰতা খিনিক বাধা দিয়াৰ ক্ষমতা। যাৰ হাতত আছে সাতোটি প্ৰাণীক অকাল মৃত্যুৰ পৰা বচোৱাৰ ক্ষমতা। এই হত্যাই এটি জীৱনৰ শেষ নহয়, পলাশ। এটি নতুন জীৱন অৱতাৰণাৰ ক্ৰূৰ প্ৰয়াসহে। মই জানো, তুমি বহু পৰিমানে অপ্ৰস্তুত হৈছা। বোধহয় মোৰ ওপৰত ঘৃণাৰ ভাব উপজিছে। বোধহয় তুমি মোক ইয়াৰ পিচত বিয়া



কৰাবলৈও ভয় কৰিবা, অমাস্তি হবা। তাতো মোৰ খেদ নাই। এটি দেহক, এটি প্ৰাণীক সুখ দিয়াতকৈ, মোৰ মতে সাতটি প্ৰাণীক বচোৱাৰ চিন্তাটো বহুত ওপৰত নহয়নে ? কোৱা পলাশ। তুমি মনে মনে ৰ'লা কিয় ?"

অৰুণাৰ দুচকুৰেদি বাগৰি অহা চকুপানীবোৰ পলাশে লাহে লাহে মচি দি নিঃপলক দৃষ্টিৰে কেৱল চাই ৰ'ল। পলাশৰ বাকৰুদ্ধ হৈ আহিছিল। অৰুণাৰপ্ৰশ্নৰ উত্তৰ পলাশে কি দিব একো ভাবি নাপালে। মানুহৰ বাস্তৱতাখিনি সচাঁকৈয়ে অসহ্যকৰ। তাক কঠিন হলেও পলাশেও তাক স্বীকাৰ কৰিবই লাগিব।

—:০:—

OKDISCD

**Eeu Dee Printers**

Brings To You
The
Latest Technology
In
Printing



*Contract*

**EEU DEE PRINTERS**

*Nakham Bazar*
**Tura-794001**
*West Garo Hills, Meghalaya.*

OKDISCD

Talay Paar' (Wild flower) a quarterly magazine Published by Ms. Deepali Koch and Printed at Eeu Dee Printers, Tura, West Garo Hills.